চান্দমামা

ফেব্ৰুৱাৰি ১৯৯১



কেম্পকোৱেই আ গ ব ঢ় া ই ছে
ডাঙৰ বেচি, ভাল বেচি, সোৱাদো বেচি চকলেট
Campco
mega bite
এতিয়া, কোৰাচোন কেনে পালা ?
আৰু ক্ৰীমেভৰা চকলেট ?
পেটভৰা পুষ্টিক পিচে কি ক'বা ?
"ইমমান যে মজাৰ"
"কিযে ভাল সোৱাদ"
"মই ইয়াক ভাল পাওঁ"
নতুন মেগা বাইট
ভাৰতৰ সৰ্ব্ববৃহৎ, সৰ্ব্বাধুনিক প্লান্টৰ উপহাৰ
TOP QUALITY LOW PRICE
কেম্পকো লিমিটেড, মাঙ্গালোৰ
R K SWAMY/BBDO CL 8347 AS

যিকোনো দোকানতে একেই ৰাহিকাৰক দামত পোৱা যায়।
Gx.223.90 Asm R

চান্দমামা

*

ফেব্ৰুৱাৰি ১৯৯১

এই * আছে

সংখ্যাত

*

সম্পদীয়া পাৰ	:	৭
ন'বেল শান্তি-বঁটা	:	৯
ঢোল মাৰিলে নাচন	:	১১
দস্যু যুৱৰাজ	:	১৭
উচ্চ-নীচ	:	২৫
অনিষ্টী অতিবুধি	:	৩৩
ভাৰতৰ দেৱতা	:	৩৪
পৃথিৱীৰ পৌৰাণিক কাহিনী	:	৩৭
জগৰীয়া কোন	:	৪১
বীৰ হনুমান	:	৪৫
মামানাঞ্চ মতিভ্ৰমঃ	:	৫১
সোণৰ নিগনি	:	৫৩
ওলোটা বেদ	:	৫৭
বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

চান্দমামা

খনে : ৩ '০০ বছৰেকীয়া বৰঙণি ৩৬'০০টকা মাথোন

"मेरि" गोल्ड कवरिग गहने अपनी श्रेष्ठता, अनुपम 'लाजवाब' मनमोहक डिसैनों से दुनियाँ की सारी स्त्रियों के दिलों में शाश्वत जगह पाये हैं । आपको कैसा नम्बर चाहिये यह हमें लिखकर बताइये । वि.पि.पि. द्वारा भेजा जायेगा । मुफ्त केटलाग के लिये आज ही हमें लिखिये, ।



MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET
T.NAGAR, MADRAS - 600 017, PHONE: 444671



Mudra:M CTPL:4093

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

এই অধিকাৰ আমাৰ নাই

পূৰ্বতন চৰকাৰৰ এক নীতিৰ বিৰোধিতাৰ পৰিণামত যিসকলে প্ৰাণ উছৰ্গিলে, তেওঁলোকৰ স্মৃতিৰ প্ৰতি আমাৰ বিনম্ৰ অভিবাদন আৰু আত্মাৰ শান্তি কামনা কৰোঁ।

বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে যিধৰণে এই বিৰোধিতা কৰিছিল, সেই ধৰণ-প্ৰকৰণ মনে-চিতে মানি ল'লে কিঞ্চিত আত্ম-বঞ্চনাহে কৰা হ'ব নেকি? কিবা অন্যায়ৰ বিৰোধিতা কৰোঁতে আমি নিশ্চয় সৰৱ হ'ম। এনে সৰৱতাৰ ফলত যদি কাৰোবাৰ মৃত্যু হয়, সেয়া বেলেগ কথা। কিন্তু সেই বুলি—বিৰোধিতাৰ নামত আত্মহনন কোনো পথ হ'বনে নহয়—কথাটো নিশ্চয় ভাবিবলগীয়া। আমাৰ স্বাধীনতা সংগ্ৰামী সকলেও প্ৰাণ উছৰ্গিছিল, যেনে—ভগতসিং, ক্ষুদিৰাম—কিন্তু সেয়া আত্মহনন নাছিল।

আমাৰ কোন কাম কৰাৰ অধিকাৰ আছে, কোন কাম কৰাৰ অধিকাৰ নাই, সেই কথা জানি ল'লে ভাল।

আনক বা নিজকো হত্যাৰ অধিকাৰ আমাৰ নাই।

বছৰ : ১০   ফেব্ৰুৱাৰি ১৯৯১   সংখ্যা : ১১

খনে : ৩'০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬'০০ টকা



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাবেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এচ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

ন'বেল শান্তি-বঁটা

'শান্তি লাগে? যুদ্ধলৈ সাজু হৈ থাকক'। প্ৰাচীন ৰোমীয়সকলৰ এয়ে আছিল শান্তিৰ কাৰণে শান্ত-সিদ্ধান্ত। কিন্তু যুদ্ধই কেৱল যুদ্ধকহে আহ্বান কৰি পাৰে। কোনোবা এখন দেশৰ মাজত যুদ্ধাৱস্থাৰ সৃষ্টি হ'লে সেই যুদ্ধাৱস্থা অন্যান্য চুবুৰীয়া দেশতো সৃষ্টি হৈ পৰে।

সেই ৰোমীয় আমোলৰপৰা আজিলৈকে অৱস্থাৰ বৰ বেছি হেৰফেৰ হোৱা নাই। ক'বলৈ গ'লে একেই হৈ আছে। নেতা বোলোতাসকলে বৰ বৰ ভাষণৰ উগাৰ ছাৰে, চাৰিওফালে সেই ভাষণৰ জোৱাৰে ঢৌৱায়; কিন্তু তাৰে কাম একো নহয়। কিয়নো—সেই ভাষণ হয় দৰাচলতে অন্তঃসাৰশূন্য, মন-মুখ এক নোহোৱা। নিজৰ দেশত অস্ত্ৰ দ'মাই আনৰপৰা শান্তিৰ সপক্ষে বিশ্বাস অৰ্জন—পৰ্বতত কাছ কণী বিচৰাৰ দৰেই কথা। মনত যুদ্ধ, মুখত প্ৰবুদ্ধ — এয়ে হ'ল আজিৰ সৰহভাগ নেতাৰ শান্তিৰ নিদান। মনতে যদি শান্তি নাই, শান্তিনো ক'ত পাই? যেতিয়া মানুহে—বিশেষকৈ নেতাসকলে মনে-চিতে শান্তি বিচাৰিব, তেতিয়াহে শান্তিক সতত-সৰ্বত্ৰ বিচাৰি পোৱা যাব।



ছোভিয়েত নেতা মাইকল্ গোৰবাচেভে প্ৰকৃতপক্ষেই শান্তিক বিচাৰি ওলোৱা যেন লাগিছে। ছোভিয়েতত গোৰবাচেভ আৱিৰ্ভূত হোৱাৰ আগলৈকে তথাকথিত সাম্যবাদী ৰথচক্ৰৰ তলত ৰুশ্ জনসাধাৰণ, পিষ্ট হৈ আছিল। অস্ত্ৰৰ প্ৰতিযোগিতাই, বিশেষকৈ আমেৰিকাৰ সৈতে অস্ত্ৰ-প্ৰতিযোগিতাই এক অকল্পনীয় ৰূপলৈছিল। মহাকাশজোৰা অস্ত্ৰ দ'মোৱাৰ প্ৰতিযোগিতাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল আৰু প্ৰকৃততে শান্তিৰ বিৰুদ্ধে এনে জঘন্য প্ৰতিযোগিতাৰপৰা ওলাই অহাৰ বাটো কোনেও বিচাৰি পোৱা নাছিল। শীতল যুদ্ধই শান্তিক সমাহিত কৰিছিল।

মাইকল্ গোৰবাচেভেই পোন প্ৰথমে এই বৰফ তথা শীতল যুদ্ধৰ ভয়ানক ভৌতিক ভঙাৰ কাম মনে-চিতে আৰম্ভ কৰিলে। তেওঁ ব্যক্তিৰ স্বাতন্ত্ৰ্য তথা দেশৰ স্বাতন্ত্ৰ্যৰ পক্ষে মাত মাতিলে। ইজনৰ ডিঙি সিজনে অনাৱশ্যকভাবে কটাৰ বিৰুদ্ধে থিয় দিলে।

মাইকল্ গোৰবাচেভক এইবাৰৰ শান্তি-ন'বেল-বঁটাৰে সন্মানিত কৰা হৈছে। এইবাৰৰ শান্তি-ন'বেল-বঁটা যে উপযুক্ত ক্ষেত্ৰতে প্ৰদান কৰা হৈছে, সেই কথাত সন্দেহৰ থল নাই।

ঢোল মাৰিলে নাচন

তেতিয়াৰ কালৰ চন্দন দেশৰ ৰজা বিক্ৰমবৰ্মাদেৱৰ কোনো পুত্ৰ-সন্তান নাছিল একমাত্ৰ পুত্ৰী আছিল শ্ৰীলেখা। শ্ৰীলেখ বয়সত ডাঙৰ হোৱাৰ লগতে বুদ্ধিবৃত্তিতো ডাঙৰ হৈ থাকিল। শ্ৰীলেখাৰ ৰূপ-গুণ আৰু বুদ্ধিৰ চমৎকাৰিত্বই বিক্ৰমবৰ্মাদেৱৰ পুত্ৰহীনতাৰ কথা পাহৰাই ৰাখিলে।

ৰাজকুঁৱৰী শ্ৰীলেখা ক্ৰমে বিবাহযোগ্য হৈ উঠিল। এই কথাত ৰজা বিক্ৰম কিছু চিন্তিত হ'ল। ৰূপে-গুণে বিদ্যাই-বুদ্ধিয়ে অসামান্য চৰিত্ৰৱতী ৰাজকুঁৱৰী শ্ৰীলেখাৰ বাবে যোগ্য পাত্ৰ পায় ক'ত?

ৰজাই বহুতৰে কথা ভাবি চালে; কিন্তু এই সমস্যাৰ সমাধান কৰিব নোৱাৰিলে। কিয়নো—পুত্ৰী শ্ৰীলেখাৰ স্বামীয়েই হ'ব চন্দনদেশৰ ভৱিষ্যৎকালৰ উত্তৰাধিকাৰী, যিহেতু ৰজা পুত্ৰহীন।

এদিন ৰাজসভালৈ এজন বহিৰ্দেশীয় পণ্ডিত আহিল। পণ্ডিতে ৰজা বিক্ৰমক সম্বোধি ক'লে, "মহাৰাজ, মোৰ নাম কেশৱভট্ট। নিবাস—মধ্যদেশ। সম্প্ৰতি মই বহু দেশ-দেশান্তৰ পৰিভ্ৰমণ কৰি আহিছোঁ, কাশী আৰু তক্ষশীলালৈকো গৈছিলোঁ। মই, আৰু সকলোতে সকলো পণ্ডিতেই মোৰ ওচৰত পৰাজয় স্বীকাৰ কৰিছে, আঁঠু লৈছে আৰু তৎ তৎ দেশ-সমূহৰ ৰাজন্যবৰ্গৰপৰা সন্মান লভিছোঁ। আপোনাৰ দেশতো মই শাস্ত্ৰাৰ্থমূলক প্ৰশ্নৰ মীমাংসাৰ্থে আহিছোঁ। মই তিনিটা প্ৰশ্ন কৰিম। এই তিনিওটা প্ৰশ্নৰ উত্তৰ যদি আপোনাৰ সভাপণ্ডিত ডাঙৰীয়াই, বা এই দেশৰ আন

পাৰ্বতী চক্ৰৱৰ্তী

কোনোবাই যথাৰ্থতে দিব পাৰে, মই আজিকোপতি যিমান উপাধি প্ৰাপ্ত হৈছোঁ, সেই উত্তৰ দাতাক অৰ্পণ কৰিম আৰু তেওঁৰ আগত আঁঠু লৈ, পৰাজয় স্বীকাৰ কৰি গুচি যাম। কিন্তু যদিহে আপোনাৰ সভাপণ্ডিতে বা আন কোনোবাই যথাৰ্থ উত্তৰ দিব নোৱাৰে, তেনেহ'লে—মোৰ চৰ্ত হ'ল এয়ে যে—মোক দোলাত উঠাই আপোনাৰ ৰাজধানী পৰিভ্ৰমণ কৰোৱাব লাগিব আৰু সেই দোলাৰ অন্যতম বাহক হ'ব লাগিব আপোনাৰ এই সভাপণ্ডিত।"

কেশৰভট্টৰ এনে ওফাইডাঙীয়া কথাত ৰাজসভাস্থ সকলোৰেই, আনকি ৰজা বিক্রমবৰ্মাদেৰেও বেয়া পালে আৰু ভিতৰি ভিতৰি ক্ৰুদ্ধ হ'ল। কিন্তু সেই ক্ৰোধ প্ৰকাশ নকৰি ৰজাই পণ্ডিত কেশৰভট্টক ক'লে, "পণ্ডিত মহোদয়, আপোনাৰ চৰ্ত মঞ্জুৰ। এতিয়া প্ৰশ্ন তিনিওটি কওক। আমাৰ দেশবাসীয়ে তিনিদিনৰ ভিতৰত আপোনাৰ প্ৰশ্ন তিনিটাৰ উত্তৰ দিব।"

কেশৰভট্টই ক'লে, "মোৰ প্ৰথম প্ৰশ্ন হ'ল—এনেকুৱা এক সত্য ক'ব লাগিব—যি সত্যক জগতৰ কোনেও অস্বীকাৰ কৰিব নোৱাৰে; কিন্তু আচলতে মিথ্যা।

"মোৰ দ্বিতীয় প্ৰশ্ন হ'ল—শুনা শব্দ আৰু নেদেখা দৃশ্য কি আছে?

"আৰু মোৰ তৃতীয় প্ৰশ্ন—কি কথা ভুখীয়াৰপৰা আৰম্ভ কৰি ৰজা-মহাৰাজলৈ সকলোটিয়েই সহজেই পায় আৰু লয়?"

কেশৰভট্টৰ প্ৰশ্নকেইটা শুনি ৰজা বিক্রমবৰ্মাদেৰৰ সভাপণ্ডিতৰ মুখ শেঁতা পৰিল, আৰু ৰাজসভাৰ বিজ্ঞ-অভিজ্ঞ-প্ৰাজ্ঞ পাৰিষদসকলো চুপ হৈ গ'ল আৰু পণ্ডিত কেশৰভট্ট কক্কাই থকা মোৰ্গাৰ দৰে গৰ্বোন্নতভাৱে ইফালে-সিফালে চাই চাই ৰাজসভাৰপৰা ওলাই গ'ল।

ৰাজসভাৰ পণ্ডিতে অন্যান্য বিজ্ঞ-অভিজ্ঞ পাৰিষদসকলৰ সৈতে এই প্ৰশ্ন তিনিটাৰ সম্ভাব্য উত্তৰ আলোচনা-

বিলোচনা কৰি থাকিল। কিন্তু ৰজা বিক্ৰমবৰ্মাদেৱে গমিলে যে—এই প্ৰশ্নৰ উত্তৰ সভাপণ্ডিতৰ সাধ্যৰ বাহিৰ।

ৰজা বিক্ৰমে ক'লে, "কেশৰভট্ট অত্যন্ত অহংকাৰী : কিন্তু তেওঁ যে মেধাৱী—সন্দেহ নাই। যি কি নওহক—প্ৰশ্ন তিনিটাৰ উত্তৰ যেনেতেনে উলিয়াবলৈ আপোনালোকে চেষ্টা কৰি থাকক।"

ৰাজসভা ভংগ হ'ল আৰু বিক্ৰম চিন্তান্বিত ভাবে প্ৰাসাদলৈ গ'ল।

পিতৃৰ মোলান পৰা মুখলৈ চাই পুত্ৰী শ্ৰীলেখাই কথা কি সোধাত ৰজা বিক্ৰমে ৰাজসভাৰ বিবৰণ তথা কেশৰভট্টৰ কথা পৰিপূৰ্ণভাবে কৈ মন্তব্য কৰিলে. "আই. আমাৰ পৰাজয় বোধ হয় অৱশ্যম্ভাৱী। কচিৰান পণ্ডিত-দাৰ্শনিকৰ হাতত পৰাজয়ো দুঃখকৰ নহয় ; কিন্তু এক অহংকাৰী মদগৰ্বী পণ্ডিতৰ হাতত পৰাজয়—আত্ম-হত্যাৰে নামান্তৰ। এতিয়া—মোৰ মনত কেৱল তুমিয়েইহে—হয়, কেৱল তুমিহে আশাদীপ হৈ উজলি আছা।"

"কিন্তু দেউতা—এনেবোৰ জটিল প্ৰশ্নৰ উত্তৰ—মোৰ দ্বাৰায়ো — নহ'ব যেনেই পাইছোঁ।"

"তেন্তে—উপায় ?" ৰজাৰ মুখ চকুত হতাশাৰ চিন ফুটি ওলাল।

ৰাজকুঁৱৰী শ্ৰীলেখাই কেইমুহূৰ্তমান চিন্তা কৰি সামান্য তলমূৰ হৈ সৰু সৰুকৈ ক'লে. "দেউতা, আপুনি ইমান হতাশ নহ'ব। আপুনি মন্ত্ৰীপুত্ৰ ৰাজশেখৰক মতাই অনাওক। তেওঁ এইবোৰ প্ৰশ্নৰ উত্তৰ ক'ব পাৰিব বুলি মোৰ ধাৰণা।"

ৰাজকুঁৱৰী শ্ৰীলেখাৰ কথাত ৰজা বিক্ৰমে কিছু আচৰিত মানিলে। কিন্তু সেই ভাব মুখেৰে প্ৰকাশ নকৰি. "বাৰু, মতাই অনাম।" এই বুলি কৈ অন্তেষ-পুৰলৈ বুলি খোজ ল'লে।

ৰজা বিক্ৰমে তেওঁৰ পত্নী বৈজয়ন্তী-দেৱীকো কেশৰভট্টৰ বিতং বিবৰণ দিয়াৰ

অন্তত পত্নীক ক'লে, "মই শ্ৰীলেখাৰ-পৰা কিবা-নহয়-কিবা উত্তৰ পাম বুলিয়েই ভাবিছিলোঁ। কিয়নো—পণ্ডিত কেশৱভট্টৰ প্ৰশ্ন তিনিটাৰ উত্তৰ আমি কোনেও যদি দিব নোৱাৰোঁৱেই, দেশৰ সকলো প্ৰজাৰ আগত আমি হাঁহিয়াতৰ পাত্ৰ হৈ পৰিম। —কিন্তু তাতোকৈ ডাঙৰ কথা এটি আছে। মই শ্ৰীলেখাৰ মুখ-চকুত এই দৃঢ় বিশ্বাস দেখা পাইছোঁ যে—মন্ত্ৰীপুত্ৰ ৰাজশেখৰে এইবোৰ প্ৰশ্নৰ সদুত্তৰ সহজেই দিব পাৰিব। তাইৰ এনে দৃঢ় বিশ্বাসৰ হেতু যে কি—তাকেহে মই বুজা নাই। তুমি কিবা— "

ৰাণী বৈজয়ন্তীয়ে মিচিকীয়াই হাঁহি ৰজাক ক'লে, "মোক কিয় সুধিছে? নাৰীয়ে নাৰীৰ মনৰ খবৰ ভালকৈ দিব পাৰিব—এই আশাৰেহেনে?"

বিক্ৰমবৰ্মাদেৱেও মৃদুকৈ হাঁহিলে. "নহয়, কথা আৰু অলপ দ', মই তাতোকৈ অধিক কিবা জানিব খুজিছোঁ।"

"তেনেহ'লে শুনক—শ্ৰীলেখাৰ সখিয়েৰ এজনীৰপৰা মই এইখিনি জানিছোঁ যে তাই ৰাজশেখৰক ভাল পায় আৰু ৰাজশেখৰেও তাইক ভাল পায়। গতিকে শ্ৰীলেখাই আপোনাক যি কথা কৈছে—তাক এই কথাৰে ইংগিতবাহী বুলি ক'ব পাৰি। ৰাজশেখৰ শ্ৰীলেখাৰ যোগ্য হয়নে নহয়—এতিয়া আপুনি সেই কথাৰ বিচাৰ কৰক।" ৰাণীয়ে ক'লে।

"তেনেহ'লে আৰু কিহৰ পলম? ৰাজশেখৰক মতাই অনোৱা যাওক।" বিক্ৰমবৰ্মাদেৱে হাঁহি হাঁহিয়েই ক'লে।

ৰাজশেখৰ আহিল। বিক্ৰমবৰ্মাদেৱে মৰমসনা মাতেৰে ক'লে, "বহাঁ, বোপা।"

ৰাজশেখৰ বহিল।

তেতিয়া ৰজা বিক্ৰমবৰ্মাই কেশৱভট্টৰ প্ৰশ্ন তিনিটা ৰাজশেখৰৰ আগত দাঙি ধৰি সুধিলে, "বোপা, মোক আমাৰ শ্ৰীলেখাই কৈছে যে—তুমি এইবোৰ প্ৰশ্নৰ

উত্তৰ সহজেই দিব পাৰিবা।"

ৰাজশেখৰে মিচিকীয়াই হাঁহি মাৰি ক'লে, "মহাৰাজ! কেশৱভট্ট যে মেধাবী —সেই কথাত সন্দেহ নাই। তেওঁ এই প্ৰশ্ন তিনিটাত—শাস্ত্ৰ, বাস্তৱতা আৰু কল্পনাৰো আশ্ৰয় লৈছে। তেওঁৰ প্ৰথম প্ৰশ্নটো — তৰ্কশাস্ত্ৰৰ সৈতে সম্বন্ধিত। প্ৰথম প্ৰশ্নৰ উত্তৰ হ'ল—'মোৰ মৃত্যু নাই'। বাস্তৱত এইষাৰ কথা একেবাৰে মিছা। কিয়নো — জগতত এনেহেন কোনো প্ৰাণীৰ অস্তিত্ব নাই, থাকিব নোৱাৰে। কিন্তু—তৰ্কশাস্ত্ৰৰ আধাৰত এই উক্তিও সত্য। কিয়নো—'আত্মা'ৰ মৃত্যু নাই। আপোনাৰ-মোৰ-সকলোৰে আত্মা আছে। গতিকে—আচলতে মিথ্যা কথাষাৰ একপ্ৰকাৰে সত্যও।"

ৰাজশেখৰৰ ব্যাখ্যা শুনি ৰজা আনন্দিত হ'ল। তেওঁ অতঃপৰ ক'লে, "দ্বিতীয় প্ৰশ্নৰ উত্তৰ কি হ'ব?"

"মহাৰাজ! নুশুনা শব্দ হ'ল— আত্মাৰ আহ্বান। এই আহ্বান মস্তিষ্কৰ-পৰা নাহে, আহে মনৰপৰা। কেৱল অনুভৱৰেহে এই আহ্বান — আত্মাৰ আহ্বান শুনিবলৈ পোৱা হয় শুনোতাই, আনে নুশুনে। বাকী থাকিল—নেদেখা দৃশ্যৰ কথা। নেদেখা দৃশ্যৰ অৰ্থ হ'ল— চকুৰে নমনা দৃশ্য। মনৰ দাপোণত যি দৃশ্য ভাহি উঠে—তাক মনেৰেহে অনুভৱ কৰিব পাৰি, চকুৰে মনিব নোৱাৰি। আৰু—এই দৃশ্য আন কোনেও দেখা নাপায়। 'নুশুনা শব্দ আৰু নেদেখা দৃশ্য —ইয়াকে কোৱা হৈছে। এই প্ৰশ্নৰ এয়ে সঠিক উত্তৰ!" ৰাজশেখৰে ক'লে।

ৰজাই প্ৰসন্ন দৃষ্টিৰে ৰাণীলৈ চালে।

"আৰু তৃতীয় প্ৰশ্নৰ উত্তৰ হ'ল—" ৰাজশেখৰে পুনৰ ক'লে, "তুখীয়াৰপৰা ৰজা মহাৰাজলৈ সকলোটিয়ে যিটি কথা শুনি ভাল পায়—সেয়া হ'ল প্ৰশংসা। প্ৰশংসা ৰজা-মহাৰজাসকলে তো ভাল পায়েই,

দুখীয়াসকলেও নোপোৱা নহয়। আৰু—প্ৰশংসা গ্ৰহণ নকৰাকৈ কোনো নাথাকে। —কেশৱভট্টৰ তৃতীয় প্ৰশ্নৰ উত্তৰ এয়ে।"

ৰজা বিক্ৰমবৰ্মাদেৱে হাত চাপৰি বজাই কৈ উঠিল, "চা—ব্বাচ! জটিল প্ৰশ্নৰ সৰল উত্তৰৰ জৱাব নাই। তোমাৰ তুলনা তুমিয়েই। —শেখৰ, তুমি কিবা অনুভৱ কৰিব পাৰিছানে?"

"পাৰিছোঁ।"

"পাৰিছা?"

"হয়, মহাৰাজ!"

"কি নো?"

"আপুনি — আপোনালোকে মোৰ আৰু শ্ৰীলেখাৰ যোৰা পাতিবলৈ যো-জা কৰিছে।"

"এয়া নো কি কৈছা!" ৰজাই আচৰিত হোৱাদি ক'লে।

"মহাৰাজ! নহ'লে আপুনি কিয়নো ইমান আনন্দিত হ'ব? মাত্ৰ সাধাৰণভাবে মোৰ প্ৰশংসা কৰিলেই যথেষ্ট নহ'ল-হেঁতেন জানো?—কিন্তু—তথাপি যে কেশৱভট্টৰ প্ৰশ্নবোৰৰ উত্তৰ পায়ো পুনৰ মোৰ বুদ্ধিৰ পৰীক্ষা লৈছে—সেই পৰীক্ষাৰ অৰ্থ আন কিবা হ'ব পাৰেনে?" ৰাজশেখৰে ক'লে।

এই উত্তৰ শুনি ৰজা বিক্ৰম আনন্দৰ সাগৰত যেনিবা উটি থাকিল। তেওঁ ৰাজশেখৰক তেতিয়াই তেওঁৰ বুকুৰ মাজত আঁকোৱালি ল'লে।

পাছদিনা—ৰাজশেখৰৰ উত্তৰ শুনি কেশৱভট্টই তেওঁৰ পাণ্ডিত্যমূলক উপাধি-বোৰ ৰাজশেখৰ প্ৰদান কৰি ৰাজশেখৰৰ আগত আঁঠু লৈ, নমস্কাৰ কৰি, পুষ্পহাৰ ডিঙিতি পিন্ধাই, তলমূৰ হৈ ৰাজসভাৰপৰা ওলাই গুচি গ'ল।

আৰু এই শুভ মুহূৰ্ততে ৰাজকুঁৱৰী শ্ৰীলেখায়ো ৰাজশেখৰক 'বৰমাল্যেৰে' বৰণ কৰি ল'লে।

দস্যু যুৱৰাজ

১৬

[আগকথা : বীৰসিংহৰ আদেশত তাৰ নতুন সেনাপতি সৰ্পদন্তই ৰজা শংকৰবৰ্মাৰ ৰাজ্য জয়পুৰীৰপৰা সোণৰ প্ৰতিমা কনকতুৰ্গাক বলেৰে কাঢ়ি লৈ নাৱেৰে শান্তিপুৰলৈ গৈ থাকোঁতে যুৱৰাজ সন্দীপে অভূতপূৰ্ব কৌশলেৰে বীৰসিংহৰ সৈন্যইতৰ কবলৰপৰা কনকতুৰ্গাক উদ্ধাৰ কৰি পুনৰ জয়পুৰীলৈ লৈ গ'ল। বিস্মিত-অভিভূত ৰজা শংকৰবৰ্মাই পুনৰ কনকতুৰ্গাক ঘূৰাই পাই, আৰু লগতে মহাৰাজ শান্তিদেৱ-পুত্ৰ সন্দীপকো দেখা পাই প্ৰায় বাক্যহাৰা হৈ পৰিল। ৰজা শংকৰবৰ্মা আৰু লগতে যুৱৰাণী সুকন্যাই যুৱৰাজ সন্দীপক নীৰৱে-নিশব্দে ৰাজ-প্ৰাসাদলৈ লৈ গ'ল। আৰু তাৰ পাছত···]

অভাৱিত উপায়েৰে ইমান সৈন্য-পৰিবৃত অৱস্থাৰ মাজৰপৰা মাত্ৰ কোনোবা এজন যুৱকে কনকতুৰ্গাক লৈ যোৱাৰ কথাবোৰ শুনি বহুৰঙী বাংকেক বীৰসিংহ কিছু পৰলৈ তাপ মাৰি থাকিল'। কিন্তু তাৰ পাছত খঙতে ঢোল ফুলাদি ফুলি কৈ থাকিল : "যাদু ? টোনা ? মন্ত্ৰ-তন্ত্ৰ ? আঁ ? বোলোঁ ঐ—বাওকণী পৰা সেনাপতি বোলোৱা বাঁহৰ গছৰ ভোলটো, তেনেহ'লেনো তুমি বা তোমাৰ ইমান সোপা সৈন্য-পৈশুন্যবোৰ আছা কিহলৈ ? ইমানবোৰ চিপাদাৰ-চকিদাৰ কিহলৈ ? লোকৰ দাঢ়ি-চুলি খুৰাবলৈহেনে ? নে কেৱল ঘোঁৰাৰ ঘাঁহ কাটিবলৈহে আছা ?"

বীৰসিংহৰ এই কথাৰ উত্তৰত সাপৰ ঠেং দেখা সিয়নিত শোৱা সৰ্পদন্তই ধীৰে শাঁতেৰেই ক'লে "মহাৰাজ! আমাৰ যথেষ্ট সৈন্যবল আছে—সেই কথা সঁচা। কিন্তু আপুনিয়েই অলপমান ভাবি চ'কচোন—যাদু-টোনা দেও ভূতৰ শকতিৰ সৈতে আমি সাধাৰণ নৰ-মনিচে কেনেকৈনো যুঁজি জিকিব পাৰোঁ? সিদিনা—হাবিত যে আমি হাবিৰাৰে ঢাকুৰিলোঁ, আপুনি নিজেই সেই নাশ্ৰুত-নাভূত লণ্ডভণ্ডকাণ্ড নিজ চকুৰে দেখা পাই আচৰিত নামনি-ছিলনে? কওকচোন মহাৰাজ—হাবিৰ সেই জন্তু-জানোৱাৰবোৰে আমাক যে খেৰ-কুটা যেন দেখি খেদন দিলে—আমাৰ হাতত ইমানবোৰ চোকা চোকা অস্ত্ৰ দেখিও যে সামান্য জন্তুবোৰেও যে পৰোৱা নকৰা হ'ল—সেই কথা কি?"

এনেতে তাত চোৰাংচোৱা প্ৰধান ওলালহি। চোৰাংচোৱা প্ৰধানে বীৰ-সিংহক সাষ্টাংগে প্ৰণিপাত কৰিলে।

"কি খবৰ?" বীৰসিংহই সুধিলে।

"মহাৰাজ! আমাৰ সৈন্যইঁতৰ পৰা ভোজবাজীৰে অপহৰণ কৰি লৈ যোৱা সোণৰ কনকদুৰ্গা এতিয়া পুনৰ সেই জয়পুৰীতে আছে। কালিলৈ তাত নৱ-নিৰ্মিত মন্দিৰত এই কনকদুৰ্গাৰ প্ৰতিষ্ঠা কৰা হ'ব।" চোৰাংচোৱা-প্ৰধানে ক'লে!

"কি—সঁচাকৈ কৈছানে?" সন্দিগ্ধ বীৰসিংহই সুধিলে।

"হয় পৰ্‌ভু! সঁচা কৈছোঁ।"

এইবাৰ বীৰসিংহ বহাৰপৰা উঠি থিয় হ'ল। এতিয়া পুনৰ তাৰ কণ্ঠস্বৰ থহটা হৈ উঠিল আৰু ভূৰু কোঁচাই কপাল বুলাই কৈ থাকিল, "তাৰ মানে—সেই মূৰ্তি কাঢ়ি লৈ যোৱাৰ মনেৰে জয়পুৰীৰ সামন্ত সামান্যৰো সামান্য ভৰিৰ তলুৱা শংকৰবৰ্মাই কোনোবা এটা যাদুকৰক লগাইছিল। ঠিক আছে, এইবাৰ শুকান জেওৰা শংকৰবৰ্মাক মই এনেকৈ শিকনি

দিম—যি শিকনি সি জীৱনতো নোপাহৰে। ছাগে বাঘৰ গাল চেলেকিলে কি হয়—শিল গিলিলে যে জীণ নাযায়—শিং ধৰাই থকা শংকৰ শিয়ালক মই পানী পানীকৈ শিকাম।"

"মহাৰাজ! মই এতিয়াই জয়পুৰীলৈ গৈ কনকদুৰ্গাক লৈ আহোঁগৈনে?" সৰ্পদন্তই উছাহৰে সৈতে সুধিলে।

"তুমি!" বীৰসিংহই ব্যংগ ভাবেৰে ক'লে. "তুমিনো তালৈ গৈ কি কৰিবাহে? তোমাৰ দেখোন তালু ফুটি জীৱ যাব! —এইবাৰ মই নিজেই ওলাম। যাদু-টোন মন্তৰ-ফন্তৰৰ কিমান শকতি—চাম!"

*

জয়পুৰীত তেতিয়া আনন্দৰ জোৱাৰ। জয়পুৰীয়া ৰাইজৰ বিস্ময় অপাৰ। বীৰ-সিংহৰ কবলৰপৰা কনকদুৰ্গা পুনৰ কেনেকৈ কোনেনো লৈ আহিল?

ৰজা শংকৰবৰ্মাই এইটি কথা ব্যক্ত নকৰিলে যে যুৱৰাজ সন্দীপে এনে অভাৱিত কামটি কৰিলে। কিয়নো—তেতিয়া যুৱৰাজ সন্দীপ হয়তো বিপদত পৰিব। গতিকে—এই ঘটনাক জয়পুৰীয়া ৰাইজে এক দৈৱী ঘটনা বুলিহে ভাবি ল'লে। ৰাইজৰ আনন্দ বাধা নমনা হ'ল।

কিন্তু অকস্মাৎ এই আনন্দত বাধাৰ সৃষ্টি হ'ল। হঠাৎ ক'ৰবাৰপৰা কোনোবাই আটাহ পাৰি কৈ উঠিল, "বন্ধ কৰা! মই কৈছোঁ—এই উছৱ এতিয়াই বন্ধ কৰা!"

একেলগে গীত-বাদ্য-নৃত্য— সকলো স্তব্ধ হৈ পৰিল। বিৰাট সেই উৎসৱ মুখৰ কোলাহলপূৰ্ণ ঠাইডোখৰ একেবাৰে কাঁহ পৰি জিন গ'ল।

আগে আগে বীৰসিংহ, আৰু পাছে সৰ্পদন্ত, লগতে ঢুকাযত ছুটা দেহৰক্ষী ঘোঁৰা চেঁকুৰাই আগবাঢ়ি আহিল।

বীৰসিংহই ক'লে, "শংকৰবৰ্মা, মোৰ বিৰুদ্ধে তোমাক নিশ্চয় যুদ্ধ নালাগে। সেই সাহ নিশ্চয় তোমাৰ নহ'ব। তথাপি

যদি লাগে—মই সাজু হৈয়েই আহিছোঁ।"

"কেৱল তোমাৰ বিৰুদ্ধেই নহয়, কাৰো বিৰুদ্ধেই যুদ্ধ—মোক নালাগে। যুদ্ধলৈ মোৰ চৰম ঘৃণা। কিন্তু আমাৰ অনুৰোধ, তুমি আমাক শান্তিৰে থাকিবলৈ দিয়া।" ৰজা শংকৰে ক'লে।

"কনকদুৰ্গাক শান্তিৰে ওভোতাই দিয়া, তোমালোকক আমি শান্তিৰে থাকিবলৈ দিম।" বীৰসিংহই ক'লে।

"এয়া সম্ভৱ নহয়।" সুকন্যাই দৃঢ়তাৰে কৈ উঠিল।

আৰু লগে লগে বীৰসিংহই সুকন্যালৈ ঘূৰি চালে। তাৰ পাছত শংকৰবৰ্মা-দেৰক বীৰসিংহই সুধিলে, "এইজনী কোননো?"

"মোৰ একমাত্ৰ কন্যা— সুকন্যা। কনকদুৰ্গা তাইৰ প্ৰাণৰো প্ৰাণ।" ৰজা শংকৰবৰ্মাই বীৰসিংহক ক'লে!

"প্ৰাণৰো প্ৰাণ?—হা-হা-হা-হা হাঃ!" বীৰসিংহ শংকৰবৰ্মাৰ আৰু কাষ চাপি আহিল আৰু ক'লে, "মই যদি কওঁ—সুকন্যাজনীও মোৰ প্ৰাণৰো প্ৰাণ?"

"তুমি কি কব খুজিছা?" শংকৰ-বৰ্মাদেৱে আচৰিত হৈ সুধিলে।

"মই সোণৰ প্ৰতিমা—কনকদুৰ্গাক—এৰি থৈ যাম।" বীৰসিংহই ক'লে।

"শুনি বৰ সন্তোষ লভিলোঁ। ধন্যবাদ।" শংকৰবৰ্মাদেৱে ক'লে।

"পিছে—সোণৰ প্ৰতিমাৰ পৰিৱৰ্তে জীৱন্ত প্ৰতিমাখনিক লৈ যাম বুলি যদি কওঁ মোক দিবা নিশ্চয়?"

"বীৰসিংহ!"

"শুনা, তুমি হ'লা মোৰ তলতীয়া এটা সামান্য সামন্ত। তুমি যে মোক তুমি-তুমা কৰিছা, আৰু তথাপি যে তোমাৰ মূৰটো যথাস্থানত আছে—তাৰেই ধন্য মানিছা নিশ্চয়। আৰু—তোমাৰ ঈশ্বৰৰূপী স্বয়ং মহাৰাজে যে তোমাৰ নিচিনা ভৰিৰ তলৰ এটাৰ পুত্ৰীক বিয়া

কৰাব খুজিছে—তাৰ কাৰণে তুমি গৌৰৱ বোধ কৰাটোহে উচিত কাৰ্য্য।" বীৰসিংহই শংকৰবৰ্মাক ক'লে।

"বীৰসিংহ! দুষ্টতা-ধৃষ্টতাৰো সীমা থকা ভাল।" ক্ৰুদ্ধ শংকৰবৰ্মাই ক'লে।

"দুষ্টতা! ধৃষ্টতা? মহাৰাজে মহমাখিহেন সামন্ত এটাৰ ছোৱালীক ল'ব—এয়া দেখোন ঈশ্বৰৰ আশীৰ্বাদহে!" ব্যাংগাত্মকভাবে বীৰসিংহই ক'লে।

"আত্মসন্মানৰ কাৰণে মই সকলো জলাঞ্জলি দিবলৈ সাজু, বীৰসিংহ!" শংকৰবৰ্মাদেৱে দৃঢ়তাৰে ক'লে।

"শুনা, সামন্ত শংকৰবৰ্মা, তুমি যদি নিজ ইচ্ছাৰে সুকন্যাক মোৰ হাতত দিয়া—তোমাৰ কনকদুৰ্গা, ৰাজা, ৰাজত্ব—সকলো ৰক্ষা পৰিব। তদুপৰি — স্বয়ং মহাৰাজ তোমাৰ আপোন হ'ব। কিন্তু—তুমি যদি এই প্ৰস্তাৱত সন্মত নহোছা, মই তোমাৰ কনকদুৰ্গা ৰাজ্য সকলো নিমিষতে অধিকাৰ কৰিম।" বীৰসিংহই শংকৰবৰ্মাক সাৱধান কৰিলে।

"দেউতা, এওঁৰ ইচ্ছায়েই পূৰ্ণ হওক। মই এওঁৰ লগত যাওঁ, কনকদুৰ্গা ৰক্ষা পৰক।" সুকণ্ঠি সুকন্যাই ক'লে।

"কি কোৱা!" বিস্মিত শংকৰবৰ্মাই কৈ উঠিল, "তুমি—জানি-বুজি কৈছানে?"

"ওঁ।" সুকন্যাই ক'লে।

"চা—ব্বাইচ! চাব্বাইচ সুকন্যা, চা—ব্—বাইচ!" বীৰসিংহই একেবাৰে বিয়াৰ দৰাটিৰ দৰে সাতখন-আঠখন লাগি কলকলাই কৈ উঠিল, "সুকন্যাইহে তোমাৰ বৰ্তমান তলে শিল-ওপৰে কিল অৱস্থাৰ বুজবাজ ল'ব পাৰিছে।"

"তলে শিল-ওপৰে কিল—মানে?" শংকৰবৰ্মাই কঠোৰভাবে সুধিলে।

ঠিক সেই মুহূৰ্তত বেপাৰী এজন সুকন্যাৰ নিচেই কাষত থিয় হ'লহি। এই যুৱা বেপাৰীজনে সুকন্যাক গুন-গুনকৈ কিবা ক'লে।

এই যুৱা বেপাৰীজন যে যুৱৰাজ সন্দীপ, কথাটো গমি, ৰজা শংকৰবৰ্মাদেৱে বুকুত বল পালে।

শংকৰবৰ্মাই পুনৰ সুকন্যাক সুধিলে, "আই, তুমি যি কৈছা—নিজৰ বুদ্ধিৰেই কৈছানে ভাবি চোৱা।"

"হয়, দেউতা। মোৰ কথাত কোনো চিন্তা নকৰিব। আৰু—চিন্তাৰ আছে বা কি? এওঁ বীৰসিংহ এজন চফল ডেকা, দেখাতো অতি ৰূপৱান, আৰু তাতে মহাৰজা। গতিকে — মোৰো অপছন্দ হোৱা নাই। আৰু— "

সুকন্যাৰ কথাখিনি নৌ শেষ হওঁতেই বীৰাজপা বীৰসিংহই তিনি জঁপ মাৰি চিঞৰি দিলে, "চা — ব্বাইচ সুকন্যা, চাব্বাইচ। তোমাৰ এই কথা লাখ কথাৰ এক কথা!"

তেতিয়া শংকৰবৰ্মাদেৱে বাধ্যত পৰি সন্মতি প্ৰদান কৰিলে সুকন্যাক বীৰসিংহৰ হাতত সঁপিবলৈ।

সন্মতি প্ৰদান কৰাৰ লগে লগেই সুকন্যাক সজাই-পৰাই দিয়া হ'ল বীৰসিংহৰ সৈতে গুচি যাবলৈ।

বিধোবিধ আ-অলংকাৰেৰে আটকধুনীয়াকৈ কইনাৰ বেশত সজাই, হাতীৰ পিঠিত হাওদাাত বহুৱাই, সুকন্যাৰ অতি অন্তৰংগ সখিয়েক এজনীক লগত দি বিদায় দিয়া হ'ল। আগে আগে বিয়াৰ দৰা বীৰসিংহ আৰু পিছে পিছে দৰাধৰা চিপাদাৰ সৰ্পদন্ত অসংখ্য সৈন্য পৰিবৃত হৈ গৈ থাকিল।

সেই অৰণ্যৰ কাষেদি গৈ থাকোঁতে—হঠাৎ জয়ানন্দ মুনিৰ মল্লি চৰাইটো উৰি আহি সুকন্যাৰে কোলাত বহিলে আৰু পত্ৰ এখন দিলে। মল্লি নামৰ এই ভাটৌজনীৰ প্ৰতি আন কোনেও সিমানকৈ মনেই নকৰিলে।

সুকন্যাই পত্ৰখন পলকতে পঢ়ি পুনৰ মল্লিৰ ঠোঁটত গুঁজি দিয়াত মল্লি চকুৰ


RAZI

পচাৰতে উৰি গুচি গ'ল আৰু লগে লগে সুকন্যা অচেতন হৈ পৰিল।

সখিয়েক কদম্বলতাই চিঞৰি উঠাত বীৰসিংহই ঘূৰি চালে আৰু তৎক্ষণাৎ তম্বু এখন তৰি অচেতন সুকন্যাৰ সেৱাশুশ্ৰূষাৰ বন্দবস্ত কৰিলে। তৎক্ষণাৎ জয়পুৰীৰপৰা ৰাজবৈদ্যক মতাই অনোৱা হ'ল। বৈদ্যই সুকন্যাক পৰীক্ষা কৰি ক'লে, "কমেও দুটা দিন পৰিপূৰ্ণ বিশ্ৰামৰ আৱশ্যক। তাৰ পাছত যাত্ৰা আৰম্ভ কৰিব পাৰিব।"

সুকন্যাক কোমল শয্যাত শোৱাই থোৱা হ'ল। চাৰিওফালে বীৰসিংহৰ সৈন্যই পহৰা দি থাকিল। বহু সময়ৰ অন্তত বীৰসিংহই সুকন্যাৰ সখিয়েক কদম্বলতাক সুধিলে, "এতিয়া সুকন্যাই কি কৰিছেনো?

"টোপনিয়াইছে বোধ কৰোঁ। আপুনি নিজেই চাই আহকগৈনা।"

শুনি নধৰ-নপৰ লাগি বিয়াৰ দৰা বীৰসিংহ তম্বুৰ ভিতৰলৈ সোমাল আৰু সোমাই গৈ—চকাছন্দা পোহৰত সুকন্যাৰ হাত এখন স্পৰ্শ কৰি সুখ পাবৰ মনেৰে আলফুলে হাতখন দাঙি ল'লে। কিন্তু সেই হাতখন আছিল এখন নোমাল হাত। বিস্মিত বীৰসিংহই একো টলকিবলৈ নৌ পাওঁতেই বিছনাত সুকন্যাৰ সলনি বেকেটমুৰা বান্দৰ এটা উঠি বহিল আৰু বীৰসিংহৰ গালত চৰ কেপাতমান শোধাই আঁচুৰি-কামুৰি তেজ উলিয়াই দি জাঁপ মাৰি এজোপা গছৰ ওপৰত উঠিলগৈ।

আহত বীৰসিংহই আৰ্তনাদ কৰি কৈ উঠিল, "পুনৰ যাদু পুনৰ টোনা! ইমান পহৰাৰ মাজত সুকন্যা নোহোৱা হ'ল! সুকন্যাক কোনোবা যাদুকৰে বান্দৰলৈ ৰূপান্তৰিত কৰিলে। ধৰা — সৌ বান্দৰটোক ধৰা! কোন ক'ত আছা— তাক যেনে-তেনে বন্দী কৰা! সেই বান্দৰটোৱেই শান্তিপুৰৰ ৰাণী!" [আগলৈ

উচ্চ-নীচ

প্ৰতিজ্ঞাত অটল ৰজা বিক্ৰমাদিত্যই পুনৰ সেই শ ওলমি থকা গছৰ ডালৰপৰা শটো নমাই আনি, কান্ধৰ ওপৰত পেলাই লৈ একমনে মৰিশালিলৈ বুলি গৈ থাকোঁতে শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তোমাৰ কষ্টসহিষ্ণুতা অতুলনীয়। কিন্তু কেতিয়াবা আৰব্ধ কাৰ্য্য সাধিও তাৰ ফল গ্ৰহণ নকৰা হয় কোনো কোনোবাই। তোমাৰো অৱস্থা শেহলৈ তেনেকুৱা হ'বনে কি মই ন-দি ক'ব নোৱাৰিম। যি কি নহওক—মোৰ এই মন্তব্যৰ উদাহৰণস্বৰূপে তোমাক মই ৰাজকুঁৱৰী কীৰ্তিচন্দ্ৰিকাৰ কাহিনী ক'ম। এই কাহিনীয়ে তোমাক তোমাৰ কাৰ্য্য সম্বন্ধে যে ভবা-গুণা কৰাৰ কিঞ্চিত সমল দিব—সেই কথা ধ্ৰুৱ।" এইবুলি কোৱাৰ অন্তত বেতালে ৰাজকুঁৱৰী কীৰ্তিচন্দ্ৰিকাৰ কাহিনী কৈ থাকিল :

'বেতাল-কথা'



জোঁৱায়েক কৰাৰ মনেৰে উঠি-পৰি লাগিল। এনে ৰজাসকলৰ মাজত সৌগন্ধ দেশৰ ৰজা সূৰ্য্যকেতুও আছিল অন্যতম।

সূৰ্য্যকেতু আছিল মহাৰাজ বিশ্বক্ৰান্ত দেৱৰ পৰম বন্ধু। গতিকে—হেওঁ এই কথাত নিশ্চিন্ত যে—তেওঁৰ ৰূপে-গুণে অতুলন কীৰ্তিচন্দ্ৰিকাজনীক—তেওঁ প্ৰস্তাৱ কৰামাত্ৰেই মহাৰাজ বিশ্বক্ৰান্তই নিশ্চয় পুত্ৰবধূৰূপে বৰণ কৰি ল'ব। আৰু—জীয়েক কীৰ্তিচন্দ্ৰিকায়ো যে চন্দ্ৰদীপ্তক ভাল পায়—কথাটো তেওঁ নজনা নহয়।

তাৰ পাছত তেওঁ যেতিয়া মহাৰাজ বিশ্বক্ৰান্তৰ ওচৰত এই প্ৰস্তাৱ উত্থাপন কৰিলে, তেতিয়া মহাৰাজ বিশ্বক্ৰান্তদেৱেও ভালেই পালে, আৰু তৎক্ষণাৎ তেওঁ পুত্ৰ চন্দ্ৰদীপ্তক তাতেই মতাই অনালে।

পিতৃৰ এই প্ৰস্তাৱৰ উত্তৰত পুত্ৰ চন্দ্ৰদীপ্তই ক'লে, "দেউতা, মোক ক্ষমা কৰক। মই সাগৰিকাৰাজ্যৰ ৰাজকুঁৱৰী মনোজমালাক ভাল পাওঁ। বিয়া কৰোঁ যদি—মনোজমালাকে বিয়া কৰাম।"

মহাৰাজ বিশ্বক্ৰান্তই ক'লে, "ঠিক আছে, তুমি তোমাৰ মনে খোৱা মতেই বিয়া কৰাবা কিয়নো তোমাৰ বিয়া তুমি ভাল পোৱা মতে হোৱা উচিত বুলি ময়ো ভাবোঁ। পিছে—আমি দুয়ো বাল্যাৱস্থাৰে-

তেতিয়াৰ কালৰ স্বৰ্ণদীপ্তি ৰাজ্যৰ ৰজা আছিল বিশ্বক্ৰান্তদেৱ। তেওঁ অতি লোকপ্ৰিয় তথা প্ৰজাবৎসল ৰজা আছিল আৰু তেওঁ আছিল অজাতশত্ৰু। ওচৰ-পাজৰৰ তথা দূৰ দূৰ দেশৰো ৰাজন্যবৰ্গৰ আদৰ্শ আছি মহাৰাজ বিশ্বক্ৰান্ত।

চন্দ্ৰদীপ্ত আছিল বিশ্বক্ৰান্ত মহাৰাজৰ একমাত্ৰ পুত্ৰ। ৰজাৰ কোঁৱৰ চন্দ্ৰদীপ্ত আছিল সৰ্বগুণান্বিত যুবৰাজ। কি বিদ্যা-বুদ্ধি কি অস্ত্ৰ চালনাতে লগতে ৰাজনীতিতো আছিল গভীৰ জ্ঞানসম্পন্ন। ৰাজকোঁৱৰ চন্দ্ৰদীপ্ত যতিয়া বিবাহেচ্ছু হ'ল, তেতিয়া আশ-পাশৰ সকলো ৰজায়েই চন্দ্ৰদীপ্তক

পৰাই বন্ধু। গতিকে—এই ফালৰপৰা যদি বিবেচনা কৰি চোৱা, ভাল পাম।"

সূৰ্য্যকেতুৱে চন্দ্ৰদীপ্তক ক'লে, "ৰাজ-কুমাৰ, কীৰ্তিচন্দ্ৰিকাই তোমাক ভালপায়। তাইক দুখ নিদিবা।"

চন্দ্ৰদীপ্তই অতি নম্ৰতাৰে সূৰ্য্যকেতুৰ প্ৰস্তাৱ মানি লোৱাত অস্বীকৃত হ'ল।

সূৰ্য্যকেতুৱে মহাৰাজ বিশ্বক্ৰান্তক ক'লে, "চন্দ্ৰদীপ্ত—এতিয়াও বুদ্ধিবৃত্তিৰ ফালৰপৰা বৰ পূৰঠ নহয়, তাক তুমি বুজাই ক'বা আমাৰ বংশ-গৰিমাৰ কথা।"

সূৰ্য্যকেতুৰ এই কথাৰ উত্তৰত বিশ্বক্ৰান্তদেৱে ক'লে, "বন্ধু, বিয়া হ'ল হিয়াৰ কথা, জোৰ-জুলুমৰ বিষয় নহয়।"

"ঠিক আছে—" সূৰ্য্যকেতুৱে উষ্ণভাৱে ক'লে, "মনোজমালাক বিয়া কৰাওক। লগতে আমাৰ কীৰ্তিচন্দ্ৰিকাজনীকো—"

"ক্ষমা কৰিব, আমাৰ বংশ—একপত্নী-ব্ৰতীয় বংশ।" চন্দ্ৰদীপ্তই কৈ উঠিল।

হঠাৎ সূৰ্য্যকেতুৰ ভমক কৰে খং উঠিল আৰু ক'লে, "কিন্তু—তোমাৰ এনে আঁকোৰগোজালিৰ ফল বেয়া হ'ব।"

এই ঘটনাৰ সাত দিনৰ ভিতৰতে সূৰ্য্যকেতুৱে বিশ্বক্ৰান্তৰ বিৰুদ্ধে তথা স্বৰ্ণদীপ্তি ৰাজ্যৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। মিত্ৰ সূৰ্য্যকেতুৰ এই অন্যায়

কাৰ্য্যই মহাৰাজ বিশ্বক্ৰান্তও উত্তেজিত হৈ উঠিল আৰু যুদ্ধ দিয়াৰ বাবে সাজু হ'ল

চন্দ্ৰদীপ্তই ক'লে, "দেউতা, এই যুদ্ধৰ হেতু মই। সেইহে—সূৰ্য্যকেতু ৰজাৰ বিৰুদ্ধে মই যুদ্ধ কৰিম। এই যুদ্ধেৰে অন্যান্য ৰজায়ো মোৰ পৰাক্ৰমৰ উমান পাব।"

ইপিনে—পিতৃয়ে এনেকৈ অন্যায়ভাবে স্বৰ্ণদীপ্তি ৰাজ্যৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাত পুত্ৰী কীৰ্তিচন্দ্ৰিকাই অলপো ভাল নাপালে। নিজৰ বিবাহৰ কথাত এনেহেন সংঘৰ্ষ অতি অনভিপ্ৰেত।

বহুভাবে চিন্তা কৰি কৰি অৱশেষত

ৰাজকুঁৱৰী কীৰ্তিচন্দ্ৰিকাই স্থিৰ কৰিলে যে—স্বয়ং তেওঁ—অৰ্থাৎ ৰাজকুঁৱৰীয়েই এই যুদ্ধ কৰিবলৈ ওলাব। যিহেতু—এই যুদ্ধৰ মূল কাৰণ তেৱেঁই। যদি তেওঁ পৰাজিত হয়, ৰাজকোঁৱৰ চন্দ্ৰদীপ্তই মনোজমালাক স্বচ্ছন্দে বিয়া কৰাব। কিন্তু যদি চন্দ্ৰদীপ্ত পৰাজিত হয়—চন্দ্ৰদীপ্তই তেওঁকে—অৰ্থাৎ ৰাজকুঁৱৰী কীৰ্তিচন্দ্ৰিকাকে বিয়া কৰাব লাগিব।

কথাটো কল্পনা কৰাত ভালেই; পিছে—ৰাজকুঁৱৰীয়ে ৰাজকোঁৱৰক যুদ্ধত পৰাজিত কৰিব পাৰিবনে ?

এই সন্দেহ মনত উক দিয়াত কীৰ্তিচন্দ্ৰিকাই তপোবলসম্পন্ন সিদ্ধমুনি নীলাম্বৰস্বামীৰ কাষ চাপিল।

ৰাজকুঁৱৰীৰপৰা সকলো কথা শুনাৰ অন্তত মুনি নীলাম্বৰস্বামীয়ে ক'লে, "আই, মই তোমাক খড়্গসিদ্ধি-মন্ত্ৰ শিকাই দিম। তুমি যেতিয়াই যুদ্ধ কৰোঁতে বিপদ গমিব তেতিয়া এই মন্ত্ৰ সোঁৱৰামাত্ৰেই তোমাৰ তৰোৱালৰ আগত জগতত কোনেও তিষ্টিব নোৱাৰিব।"

মুনিৰপৰা মন্ত্ৰশক্তি লভি ৰাজকুঁৱৰী কীৰ্তিচন্দ্ৰিকা সন্তুষ্ট মনেৰে ৰাজধানীলৈ উভতি আহিল আৰু সকলো বৃত্তান্ত পিতৃ সূৰ্য্যকেতুক ক'লে।

সূৰ্য্যকেতুৱে জীয়েকক ক'লে, "আই, তুমি যুদ্ধলৈ—পুৰুষৰ ভেশ লৈ ওলাবা।

পৰাজিত চন্দ্ৰদীপ্তক—যদিহে পৰাজিত কৰিব পাৰা তাক—ৰাজ্যলাভৰ আশা দি তোমাৰ সৈতে যোৰা পাতি দিয়া যাব।"

তাৰ পাছত সূৰ্য্যকেতুৱে দূতৰ যোগেদি পত্ৰ প্ৰেৰণ কৰিলে বিশ্বক্ৰান্ত মহাৰাজলৈ: 'যুদ্ধৰ নামত দুয়োখন দেশৰ সাধাৰণ সৈনিকৰ হত্যাকাণ্ড—একেবাৰেই মোৰ কাম্য নহয়। এতেকে—আমাৰ ৰাজ্যৰ বীৰ এগৰাকীৰ বিৰুদ্ধে তোমাৰ পুত্ৰই অসিযুদ্ধ কৰিলেই হৈ যাব। এই দ্বন্দ্বযুদ্ধত তোমাৰ পুত্ৰ চন্দ্ৰদীপ্ত যদি পৰাজিত হয়, তোমাৰ ৰাজ্য আমি অধিকাৰ কৰিম। কিন্তু এই যুদ্ধত যদি আমাৰ ৰাজ্যৰ বীৰযোদ্ধা পৰাজিত হয়, তেনেহ'লে আমাৰ ৰাজ্য তোমালোকৰ হ'ব।'

এই প্ৰস্তাৱত বিশ্বক্ৰান্ত মহাৰাজে সন্মতি প্ৰদান কৰিলে।

যুদ্ধক্ষেত্ৰত পুৰুষবেশী ৰাজকুঁৱৰী কীৰ্তিচন্দ্ৰিকা আৰু ৰাজকোঁৱৰ চন্দ্ৰদীপ্তৰ মাজত অসিযুদ্ধ আৰম্ভ হ'ল। চন্দ্ৰদীপ্তৰ তৰোৱালৰ আগত ৰাজকুঁৱৰী কীৰ্তিচন্দ্ৰিকা তিষ্ঠিব নোৱাৰা হ'ল। তেতিয়া কীৰ্তিচন্দ্ৰিকাই মুনি নীলাম্বৰস্বামীয়ে শিকাই দিয়া খড়্গ-মন্ত্ৰ স্মঁৰিলে আৰু মুহূৰ্ততে যুদ্ধৰ গতি বদলি গ'ল। চাওঁতে চাওঁতে অপ্ৰতিৰোধ্য চন্দ্ৰদীপ্ত কাবু হৈ পৰিল আৰু তেওঁৰ তৰোৱাল উফৰি পৰিল।

তেতিয়া ৰজা সূৰ্য্যকেতুৰ নিৰ্দেশত



কৈছিলোঁ, আৰু—সেই কথা এতিয়াও একেদৰেই অপৰিৱৰ্তিত।"

পিতৃৰ মুখৰপৰা বন্দী চন্দ্ৰদীপ্তৰ মতামত শুনি চন্দ্ৰিকা নিৰাশ হ'ল।

ইপিনে—মনোজমালাৰ পিতৃ ৰজা সোমবৰ্মাই বন্দী চন্দ্ৰদীপ্তক মুক্ত কৰিবলৈ যো-জা কৰাত সূৰ্য্যকেতুৱে তেওঁৰ জীয়েক কীৰ্তিচন্দ্ৰিকাক ক'লে, "সোমবৰ্মাৰ যুদ্ধ-ঘোষণাত চিন্তিত হ'ব লগা একো নাই। আমাৰ সৈন্যবলৰ আগত সোমবৰ্মাৰ সৈন্যবল তেনেই তুচ্ছ। তেওঁ বাঘৰ নেগুৰেদি কাণ খজুৱাবলৈ লৈছেহে।"

"দেউতা, মই মোৰ সিদ্ধান্ত লৈছোঁ, মই নিজেই উপস্থিত থাকি চন্দ্ৰদীপ্তৰ সৈতে মনোজমালাৰ বিবাহ সম্পন্ন কৰাম বুলি স্থিৰ কৰিছোঁ।" কীৰ্তিচন্দ্ৰিকাই ক'লে, "কিয়নো—মই চন্দ্ৰদীপ্তক আত্ম-শক্তিৰে পৰাজিত কৰিব পৰা নাই, মন্ত্ৰ-শক্তিৰেহে-পৰাজিত কৰিলোঁ।"

জীয়েক কীৰ্তিচন্দ্ৰিকাৰ স্থিৰ-নিশ্চয় সিদ্ধান্তৰ কথা শুনি, কিছু পৰলৈ নিমাত হৈ থাকি, অৱশেষত ৰজা সূৰ্য্যকেতুৱে জীয়েকৰ এই সিদ্ধান্ত মানি লৈ মহাৰাজ বিশ্বক্ৰান্তলৈ এখন পত্ৰ-প্ৰেৰণ কৰিলে। এই পত্ৰত লিখা আছিল: 'মোৰ কন্যাই আত্মশক্তিৰে নহয়, মন্ত্ৰশক্তিৰেহে পৰাজিত

চন্দ্ৰদীপ্তক বন্দী কৰি লৈ যোৱা হ'ল।

পাছদিনা ৰজা সূৰ্য্যকেতুৱে চন্দ্ৰদীপ্তক ক'লে, "এতিয়াও সঠিক সিদ্ধান্ত লোৱাৰ সময় উকলি যোৱা নাই। তুমি যাৰ হাতত পৰাজিত হৈছা—কোন জানানে?"

চন্দ্ৰদীপ্তই নিৰ্লিপ্ত দৃষ্টিৰে চালে।

"সেই বীৰ যোদ্ধা আচলতে আছিল পুৰুষবেশী কীৰ্তিচন্দ্ৰিকা। চোৱাঁ, এতিয়াও যদি চন্দ্ৰিকাক বিয়া কৰোৱা, আনকি এই ৰাজ্যৰো হ'বা তুমিয়েই অধিপতি।"

এই কথাৰ উত্তৰত চন্দ্ৰদীপ্তই ক'লে, "মোক ক্ষমা কৰক, এই বিষয়ে যি ক'বলগা—বহু আগতেই আপোনাক

চন্দ্ৰদীপ্তক কৰিছিল। এতেকে—চন্দ্ৰদীপ্তৰ পৰাজয়ৰ কোনো প্ৰশ্ন নাই। তোমাৰ ৰাজ্য —আগৰ দৰেই—তোমাৰেই হৈ থাকিব। ঘটি যোৱা ঘটনাৰ বাবে তোমাৰ ওচৰত মই ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।'

এই ঘটনাৰ কিছুদিনৰ পাছত মনোজ-মালাৰ সৈতে অতি ধুম-ধামৰে চন্দ্ৰদীপ্তৰ বিবাহ হ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, সূৰ্য্যকেতু ৰজাৰ পুত্ৰী কীৰ্তিচন্দ্ৰিকাৰ এই সিদ্ধান্ত বলিয়ালিৰে নামান্তৰ নাছিলনে? যুদ্ধত পৰাজিত কৰাৰ বাবে যিকোনো কৌশলেই দেখোন সৰ্বত্ৰ সৰ্বজনস্বীকৃত। তেনেস্থলত—কীৰ্তিচন্দ্ৰিকাৰ এনে আচৰণ মূৰ্খতাৰ নিদৰ্শন নাছিলনে? মোৰ প্ৰশ্নৰ সঠিক উত্তৰ জানিও যদি নিদিয়া, তোমাৰ বিলৈৰ বিলৈ নোহোৱা হ'ব, এই কথা ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "প্ৰকৃতপক্ষে কীৰ্তিচন্দ্ৰিকা আছিল উচ্চ বিবেকবোধসম্পন্না। কীৰ্তিচন্দ্ৰিকাই এই কথা পৰিষ্কাৰভাবে বুজি পাইছিল যে—আচলতে চন্দ্ৰদীপ্তইহে তেওঁক পৰাজিত কৰিছিল। কিয়নো—প্ৰথমৰ কালে নিজৰ শক্তিৰে যুদ্ধ কৰি কীৰ্তিচন্দ্ৰিকা বেতিয়া মূলতঃ পৰাজিত হ'ল, তেতিয়া নীলাম্বৰস্বামী-প্ৰদত্ত মন্ত্ৰ সুঁৱৰি সেই মন্ত্ৰৰ শক্তিৰেহে চন্দ্ৰদীপ্তক পৰাজিত কৰি বন্দী কৰিছিল। এনে কাৰ্য্য কোনো বিবেকৱানৰ পক্ষে মানি লোৱা টান। গতিকে—বলিয়ালি বা মূৰ্খতা নহয়, কীৰ্তিচন্দ্ৰিকাৰ এই কাৰ্য্য আছিল নীচতাৰ বিপৰীতে উচ্চশ্ৰেণীৰ ভদ্ৰতাৰ নামান্তৰ।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গাছজোপৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

অনিষ্টী অতিবুধি

সোমনাথে তেওঁৰ পুত্ৰ সুনন্দক অতি বুদ্ধিমান বুলি ভাবিছিল। সেইহে—সোমনাথে সুনন্দক প্ৰকৃত জ্ঞানী কৰি তোলাৰ মনেৰে-গুৰু নিৰ্মলানন্দৰ ওচৰত শিক্ষা গ্ৰহণৰ বাবে পঠালে।

কিছুদিনৰ অন্তত সোমনাথ কিবা এটা কামলৈ ওলাল আৰু ঘৰলৈ ওভোতোঁতে গুৰু নিৰ্মলানন্দৰ আশ্ৰমলৈ গ'ল সুনন্দৰ খবৰ-বাতৰি ল'বলৈ। ইকথা-সিকথাৰ পাছত মিৰ্মলানন্দই সোমনাথক ক'লে, "তোমাৰ ল'ৰাটো অতিবুদ্ধিৰ, সেই কাৰণে তাক শিক্ষাদান বৰ টান হৈছে।"

নিৰ্মলানন্দৰ কথাত ভাল নাপাই সোমনাথে ক'লে. "মোৰ ল'ৰাটো চোকা বুদ্ধিৰ হয়। মোৰ ধাৰণা—আপুনিহে তাৰ শিক্ষাৰ কথাত সিমান মন-কাণ দিয়া নাই।"

সোমনাথৰ কথাত দুখ পাই গুৰু নিৰ্মলানন্দই ভাবিলে যে—সুনন্দৰ অতি বুদ্ধিৰ ক্ষতিকৰ পৰিচয় সোমনাথৰ আগত দাঙি ধৰা ভাল হ'ব। এই কথা ভাবি নিৰ্মলানন্দই সুনন্দক তৎক্ষণাৎ মতাই অনালে আৰু সুধিলে, "চোৱা সুনন্দ, প্ৰাচীনকালত আমাৰ দেশত ইমান দক্ষ বয়নশিল্পী আছিল যে—তেওঁলোকে বোৱা একোখন শাড়ীকাপোৰ জুইবাহতে ভৰাব পৰা গৈছিল। বুজিছা নহয়?"

"এই কথাৰে এই কথাৰে বুজা গ'ল যে—তেতিয়াৰ দিনত জুইবাহ বা দিয়াচলাই ইমান ডাঙৰকৈ বনোৱা হৈছিল যে— সেই দিয়াচলাইৰ বাকচত এখন শাড়ীকাপোৰ সহজেই ভৰাব পৰা গৈছিল।" সুনন্দই সৰসৰকৰে কৈ দিলে।"

তেতিয়াহে সোমনাথে বুদ্ধি আৰু অতিবুদ্ধিৰ প্ৰভেদ বুজি পাই গুৰু নিৰ্মলানন্দৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি সুনন্দক যেনেতেনে পোনাবলৈ অনুৰোধ কৰিলে।

—শাৰদা



মহৎ স্বপ্নৰ ভাৰত

তেওঁসৱৰ স্বপ্নৰ ভাৰত

বিপিনচন্দ্র পাল (১৮৫৮-১৯৩২) আছিল এগৰাকী অগ্রগণ্য স্বাধীনতা সংগ্রামী। আজিৰ বাংলদেশস্থিত সাইচেল নামৰ ঠাইত তেওঁ জন্ম গ্রহণ কৰিছিল। তেওঁ আছিল এক মহান বক্তা। অসহযোগ আন্দোলনত তেওঁ বৃটিছ শাসকৰপৰা বহু ধৰণৰ অত্যাচাৰিত হৈছিল। কিন্তু তথাপি তেওঁ আছিল স্বাধীনতা সংগ্রামত অটল। এওঁৰ ভাৰত-প্রেমৰ নিদর্শন তথা এওঁৰ স্বপ্নৰ ভাৰতৰ বিষয়ত বক্তব্যৰ প্রকৃষ্টতা এইখিনি কথাৰেই উপলব্ধি কৰিব পাৰি:

"স্বাধীনতা-সংগ্রামৰ পৰম পবিত্র কার্য্যত আমাৰ নেতৃবর্গ আৰু শ্রমিকবর্গ, বিদ্বজ্জন আৰু দার্শনিক, সংগঠনকাৰী আৰু কার্য্যনির্বাহীসকললৈ কওঁ: ভাৰতবর্ষৰ স্বাধীনতা-সংগ্রামত সকলোৰে নিমন্ত্রণ থাকিল। এই নিমন্ত্রণ ভোগৰ নহয়, ত্যাগৰ। এই সময়ত যিসকলে যি সঞ্চয় কৰিছিল, ভাৰতৰ স্বাধীনতাবেদীলৈ সকলো উৎসর্গ কৰিব লাগিব, মাতৃভূমিৰসেৱালৈ, প্রয়োজন হ'লে প্রাণো উৎসর্গিব লাগিব।"

এতিয়া আমাৰ ভবাৰ সময়: তেওঁসৱৰ স্বপ্নৰ ভাৰতৰ কাৰণে আমি কিমানে কিমান উৎসর্গ কৰিলোঁ।

আমি জানোনে?

১. পোন প্রথমতে হার্ট-ট্রান্সপ্ল্যানটেশ্বন কোনগৰাকী চিকিৎসকে কৰিছিল?
২. উক্ত হার্ট-ট্রান্সপ্ল্যানটেশ্বনৰ বেমাৰীজন কোন আছিল?
৩. যিশু খৃষ্টক যেতিয়া শূলত দিয়া হৈছিল, তেতিয়া ৰোমৰ ৰজা কোন আছিল?
৪. অতি দীর্ঘদেহী বান্দৰ কোন শ্রেণীৰ?
৫. বিংশ শতিকাৰ কোনগৰাকী ৰজাই খোলাখুলিকৈ কৈছিল, যে তেওঁৰ ভিতৰত কোনো দৈৱী শক্তি নাই?
৬, কি প্রসংগত তেওঁ উক্ত কথাষাৰ কৈছিল?

[উ: ৩৬ পৃ:]

ব্ৰহ্মা



স্থষ্টিৰ আগতে মহাবিষ্ণুৰ নাভিশূলৰপৰা ওপজা কমলৰ (পদুম) পৰা চতুৰ্মুখ থকা (চাৰিখন মুখ) ব্ৰহ্মাৰ জন্ম হৈছিল। স্থষ্টিৰ দিব্য শক্তি থকা ব্ৰহ্মাৰসৈতে প্ৰকাশ আৰু ওংকাৰ প্ৰণৱনাদৰো জন্ম হৈছিল বুলি কথিত।

চৰাচৰাত্মক এই জগতখনৰ লগতে ব্ৰহ্মাই অনেক শ্ৰেষ্ঠ মুনি-ঋষিৰো স্থষ্টি কৰিছিল। যেনে—মৰীচি, অত্ৰি, অংগিৰস, পুলহ, পুলস্ত্য, ক্ৰতু, বশিষ্ঠ, ভৃগু দক্ষ আৰু নাৰদ—এই দহজন জগতবন্দিত।

ব্ৰহ্মা সমগ্ৰ জগতৰ পিতামহ। সেইহে দুষ্ট ৰাক্ষসইঁতেও ব্ৰহ্মাৰপৰা বৰ লাভ কৰি অজেয় হৈ উঠিছিল, যিবোৰ কাহিনী আমাৰ পুৰাণত পৰিলক্ষিত হয়।

আদি কবি বাল্মীকিৰ মুখনিঃসৃত প্ৰথম শ্লোক আৰু লোক-কল্যাণৰ বাবে বেদব্যাস-ৰচিত উক্তিসমূহো স্থষ্টিকৰ্তা ব্ৰহ্মাৰ প্ৰেৰণাৰেহে স্থষ্ট বুলি কথিত। বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী হ'ল স্থষ্টিকৰ্তা ব্ৰহ্মাৰ পত্নী।

সম্বাদ-বি-সম্বাদ



ইমান কমত ইমান ওখলৈ!

ফৰাছি দেশৰ বেৰ্ট্ৰাণ্ড বোখ্ নামৰ মাত্ৰ ১৭ বছৰীয়া ল'ৰা এটিয়ে সম্প্ৰতি এভাৰেস্টৰ টিং পালেগৈ! হিমালয়ৰ তথা পৃথিৱীৰ সৰ্বোচ্চ এই শৃংগলৈ আৰোহণকাৰী এই দলটোৰ মাজত এই ল'ৰাটিয়েই আছিল সবাতোকৈ কম বয়সৰ। এই দলটোত এজন এঠেঙীয়া সদস্যও আছিল। তেওঁ এভাৰেস্টৰ চূড়াৰ প্ৰায় ওচৰ পাইছিলগৈ।

বিছাত—বৰলে!

মানুহে পৃথিৱীৰ নৈ-সমুদ্ৰ আদিত বন্দৰ নিৰ্মাণ কৰি আৰু অন্যান্য বহুভাবে নৈ-সমুদ্ৰক কলুষিত কৰিলে। এতিয়া—মহাকাশ। ইমান দিন ধৰি পঠোৱা অজস্ৰ ৰকেটৰ তথা মহাকাশ-যানৰ টুকুৰাবোৰ মহকাশত অনবৰত পাক খাই ফুৰিছে। এতিয়া নকৈ যিবোৰ মহাকাশ-যান পঠোৱা হ'ব — এইবোৰে সেইবোৰক খুন্দিয়াই খান্তাং কৰিব বুলি আশংকা!



সাহিত্যৰ কিঞ্চিত

১. চিপাহী বিদ্রোহৰ ঘটনাৰ প্ৰত্যক্ষদৰ্শী ইংৰাজ সাংবাদিক জন কোন আছিল যিজনে এই ঘটনাৰ জীৱন্ত বিৱৰণ লিপিবদ্ধ কৰিছিল?

২. তেওঁ কোনখন বাতৰি-কাকতৰ প্ৰতিনিধিত্ব কৰিছিল?

৩. ভলতেৰ-লিখিত বিখ্যাত ব্যংগ-ৰচনাত্মক উপন্যাসখনৰ নাম কি?

৪. ২,২০০ খন নাটকৰ নাট্যকাৰ কোন?

৫. বৌদ্ধ ধৰ্মগ্ৰন্থ কোন ভাষাৰে ৰচিত হৈছিল?

উত্তৰ

জানোনে?

১. ডাক্টৰ ক্ৰিশ্চিয়ান বাৰ্নাৰ্ড।

২. লুই ৱাশ্‌কন্‌স্কি।

৩. টাইবেৰিয়াছ।

৪. মান্‌ড্ৰিল।

৫. জাপানৰ সম্ৰাট হিৰোহিতো।

৬. দ্বিতীয় বিশ্বযুদ্ধত জাপানৰ পৰাজয়ৰ প্ৰসংগত।

সাহিত্য

১. উইলিয়াম হাওৱাৰ্ড ৰাছেল।

২. লণ্ডনৰ 'দি টাইমছ'।

৩. ক্যানডিড।

৪. লা-ডি-ভেগা অভ্ স্পেইন (১৫৬২—১৬৩৫)

৫. পালি।

পৃথিৱীৰ পৌৰাণিক কাহিনী-(১)



সুপ্ৰাচীন কালত টায়াৰ দেশৰ যুৱৰাজ ক্যাডমাছক এদিন এগৰাকী জ্ঞানী ব্যক্তিয়ে ক'লে যে এক বিশেষ লক্ষণযুক্ত গাই এজনীক তেওঁ যদি কেতিয়াবা ক'ৰবাত দেখা পায়—সেই গাইজনী যত বহিব, তাতে যুৱৰাজে যেন নগৰ এখন পাতে। যুৱৰাজ ক্যাডমাছে তেনেকুৱা লক্ষণযুক্ত গাই এজনীক দেখা পাই গাইজনীৰ পিছে পিছে গৈ থাকিল।

লোকালয়ৰপৰা বহু দূৰলৈ গৈ এডোখৰ নিৰল-নিৰ্জন ঠাইত সেই গাইজনী বহিলগৈ। এই ঠাইডোখৰতে নগৰ পাতিব লাগিব বুলি যুৱৰাজ ক্যাডমাছে জানিছিল। তেওঁ ঠাইডোখৰ ভালকৈ চিহ্নিত কৰি তাৰপৰা গুচি গ'ল।



তাৰ পাছত যুৱৰাজ ক্যাডমাছ পুনৰ তালৈ গ'ল। এইবাৰ তেওঁ তেওঁৰ লগৰীয়াইতকো লগত লৈ গ'ল। কিন্তু তাত নগৰ পাতিবলৈ লোৱাৰ আগতে ক্যাডমাছে লগৰীয়াইতক ওচৰে-পাঁজৰে পানীৰ উৎস বিচাৰি উলিয়াবলৈ পঠালে।

কিছু সময় ধৰি অ'ত ত'ত বিচাৰি ফুৰাৰ পাছত ক্যাডমাছৰ লগীৰয়াইতে নিজৰাৰ শব্দ শুনিবলৈ পালে। তেওঁলোক আনন্দিত মনেৰে তালৈ গৈ নিজৰাৰ নিৰমল পানী পি·খাবলৈ ধৰোঁতেই পাহাৰৰপৰা বিৰাট ড্ৰাগন এটা ওলাল।

চকুৰ পচাৰতে ড্ৰাগনটোৱে ক্যাডমাছৰ লগৰীয়া যুঁজাৰুইতক ধৰি ধৰি খাবলৈ ধৰিলে। লগৰীয়াইতৰ আৰ্তনাদ শুনি ক্যাডমাছ নিজৰাৰ ওচৰলৈ লৰৰি গ'ল।





যুৱৰাজ ক্যাডমাছে দেৱী আথেনাৰ ওচৰলৈ প্ৰাৰ্থনা কৰিলে আৰু তাৰ পাছত ড্ৰাগনটোৰ বিৰুদ্ধে প্ৰাণপণ যুঁজি থাকিল। বহু সময় ধৰি যুজাৰ পাছত যুৱৰাজ ক্যাডমাছে ড্ৰাগনটোক বহু কষ্টেৰে বধিবলৈ সক্ষম হ'ল।

ড্ৰাগনটোৰ দাঁতবোৰ অ'ত ত'ত সিঁচৰতি হৈ পৰিছিল। দেৱী আথেনাৰ আদেশ-মতে যুৱৰাজ ক্যাডমাছে ড্ৰাগনৰ দাঁত-বোৰ গোটাই মাটিৰ তলত পুতি দিলে।



কিন্তু অকস্মাৎ মাটিৰ তলত পুতি থোৱা ড্ৰাগনৰ সেই দাঁতবোৰৰপৰপৰা এদল যোদ্ধা পাতাল ফালি ওলাল। ক্যাডমাছে এচটা বিৰাট শিলৰ আঁৰত থিয় হৈ এই অভাৱিত ঘটনা দেখা পালে।

যুৱৰাজে শিলচটাৰ আঁৰৰপৰা সেই ড্ৰাগন-যোদ্ধাহঁতলৈ এটা শিলগুটি দলিয়াই মাৰিলে। এই শিলগুটিটো কোনে দলিয়ালে—ত্যৰ ভু নাপাই ইটোৱে-সিটোক সন্দেহ কৰি পৰস্পৰৰ মাজতে মৰা-পিটা কৰিবলৈ ধৰিলে।



চাওঁতে চাওঁতে ইহঁত এটা এটাকৈ মৰি থাকিল। কিন্তু তথাপি কোনেও কাকো নেৰা হ'ল। সন্দেহৰ সান্দহ খোৱা আত্মহননৰ দৃশ্যলৈ যুৱৰাজ ক্যাডমাছে আচৰিত দৃষ্টিৰে চাই থাকিল।

ইহঁতৰ মাজত কেৱল পাঁচটা ড্ৰাগন-যোদ্ধা জীয়াই থাকিল। জীয়াই থকা-কেইটাই যুৱৰাজ ক্যাডমাছক সিহঁতৰ নেতা ৰূপে মানি ল'লে আৰু এই নগৰ নিৰ্মাণ কৰাৰ কামত যথাশক্তি সহায় কৰিবলৈ প্ৰতিজ্ঞা কৰিলে। সিহঁতৰ কথাত যুৱৰাজ আনন্দিত হ'ল।

এইদৰে এদিন গ্ৰিছদেশৰ থেবেছ নগৰী নিৰ্মিত হৈছিল। ড্ৰাগনৰ দাঁতৰপৰা ওপজা এই পঞ্চ-যুজাৰুৰেই আছিল থেবেছ নগৰীৰ মহানুভৱ পঞ্চ পৰিয়াল। বহু শতাব্দীৰ অন্তত দিগ্বিজয়ী আলেক-জাণ্ডাৰে থেবেছ নগৰী আক্ৰমণ কৰি ধ্বংস কৰিছিল। থেবেছ নগৰীৰ মাটি ডোখৰ বৰ্তমান থিভলহিচাপে জনাজাত।

জগৰীয়া কোন

সিয়াৰাম আছিল কৰাইচৰো কৰাইচ আৰু এটা লুভীয়াৰো লুভীয়া। তাৰ লাভ নোহোৱাকৈ মৰিলেও ঘূৰি নাচায়।

এদিন চুবুৰীয়া গাঁৱৰপৰা আহি থাকোঁতে বাটৰ এদাঁতিত অসুস্থ বুঢ়া মানুহ এজনক দেখা পাই খন্তেকমান বৈ দিলে। বুঢ়া মানুহজনে হিকটিয়াই হিকটিয়াই সিয়াৰামক ক'লে, "বোপাটি, মই— পিয়াহত অণ্ঠ-কণ্ঠ শুকাই মৰিবলৈ ওলাইছোঁ। অল পানী লাগে মোক—"

সিয়াৰামে বুঢ়াক ক'লে, "চোৱা, তুমি নিশ্চয় মোক নিচিনা, নাজানা আৰু মোৰ সম্পৰ্কে নুশুনা মানুহ। সেইহে কওঁ—মই হ'লো কিৰ্পিণৰো কিৰ্পিণ। একো লাভ নোহোৱাকৈ কোনো কাম কৰাটো মোৰদ্বাৰাই নহৈছে। তোমাৰ ওচৰত মালকড়ি যদি কিবা আছে—নিশ্চয় তোমাক খোৱাপানী দিম।"

বুঢ়াই আৰু কৰিব কি? তাৰ টোপোলাটো খুলি—সিয়াৰামক টকা এটা দিলে আৰু টেটুলৈকে পানী খাই পিয়াহ গুচালে। তাৰ পাছত বুঢ়াই সিয়াৰামক ক'লে, "বোপাটি, এতিয়াহে মোৰ জীৱত জীৱ ঘূৰাই পালোঁ। তোমাৰ এই সহায়—জীৱনতো নেপাহৰোঁ। পিছে— তোমাক কথা এটা কওঁনে বাৰু?"

সিয়াৰামে ডিঙি চালে পোনাই।

"কথাটো হ'ল—ময়ো তোমাৰ লগত তোমাৰ গাঁৱলৈ যাম, আৰু তোমাৰপৰা অলপমান সহায় পোৱা হ'লে তোমাক দিনে এশটকৈ টকা দিম।"

"কি? এশটকৈ? টকা? দিনে?"

খড়্গা খাৰঘৰীয়া



মোক? দিবা?" সিয়াৰামে পৰিপূৰ্ণ অবিশ্বাসেৰে ক'লে "হাৰে বাও বুঢ়া, বাওনাহৈ জোনলৈ হাত বঢ়াইছা! তোমাৰ সাহস তো কম নহয়। এশ টকা জীৱনতো দেখিছানে কেতিয়াবা? তোমাৰ দৰে মূৰ্খ এটাক মই লগত লৈ নাযাওঁ।"

কিন্তু সিয়াৰামৰ কথাত বুঢ়া অলপো বিচলিত নহ'ল। বুঢ়াই ক'লে," বোপাটি, মোক জধলাটো যেন দেখি এটা জধা বুলি নাভাবিবা। মোৰ মগজু হ'ল—হীৰা-মণি-মুকুতাহেন মগজু। অতি সাৰুৱা। কালিলৈ তুমি মোক টকা এটি দান হিচাপে দিবা, আৰু তা'পাছত চাবা—কি হয়।

কপাল ফুলাৰ কথা শুনিছাহে, দেখা নাই নিশ্চয়। এইবাৰ ফুলা দেখিবা।"

"এটকা! ন—ন—নহয়, নহ'ব। মই তোমাক ফুটা কড়ি এটাও কিন্তুক দিব নোৱাৰিম।" সিয়াৰামে ক'লে।

"হাৰে! তুমি এটকীয়া কথা এটাতে ইমান হতভম্ব হৈছা কিয়? মোৰ কথা-কেটা প্ৰথমতে ভালকৈ শুনি লোৱাচোন।" বুঢ়াই খুক্ খুক্কৈ কাহ কেটামান মাৰি লৈ ক'লে, "তুমি—তুমি হ'লা—তোমাৰ কথাতে কওঁ—কিৰ্পিণৰো কিৰ্পিণ। তুমি হেন কিৰ্পিণেও মোক টকা এটা দিছা—এই কথাটি যেৱেই শুনিব তেৱেঁই ভাবিব যে—মোত নিশ্চয় কিবা-নহয় কিবা অলৌকিক শকতি আছে। তেতিয়া—উদক দেখি বোন্দাই ডুৰিউৱাৰ দৰেই—তোমাক দেখি আনেও মোক পঞ্চাশী হিচাপে টকা-সিকা দিব। মাত্ৰ—তুমি মোক তুই-চাৰিৰ আগত টকা এটি দিবা, আৰু মই তোমাক বেলি লহিউৱাৰ অন্তত এশটি দিম।"

"তোমাৰ এশটকীয়া প্ৰস্তাৱ—লোভনীয়য়েই। কিন্তু—তুমি যদি পাছত মোক একো দিব নোৱাৰা—মোৰ সেই সাঁচনৰ টকাটোও কাছনতহে যাব।" সিয়াৰামে পুনৰ সন্দেহ প্ৰকাশ কৰিলে, "ওহোঁ, এনে খালী খালী মূৰ্খালী মই

কৰিব নোৱাৰোঁ।"

"ঠিক আছে, যদি ইমানেই সন্দেহ—সেই টকাটো ময়েই দিছোঁ বাৰু। এয়া লোৱা। এই টকাটোকে মোক দান হিচাপে দিবা।" বুঢ়াই ক'লে।

সিয়াৰাম কিছু দোধোৰ-মোধোৰত পৰিল; কিন্তু বুঢ়াক বজাই চোৱাৰ মনেৰে বুঢ়াৰ কথামতেই কাম কৰি থাকিল।

আৰু চাওঁতে চাওঁতে—কেৱল এইখন গাঁৱতে নহয়, দহোখন গাঁৱতে এই অলৌকিকী শকতি থকা বুঢ়াৰ কথা বিয়পি পৰিল। দলে দলে মানুহ মুনিহ বুঢ়া-ডেকা-ড়ে'কে'ৰীইত বুঢ়াৰ আগত দীঘল দি পৰি ডেডাই থাকিল আৰু টকা-সিকাৰ ক'বলৈ গ'লে সঁতা চলি থাকিল।

প্ৰথম দিনাই বুঢ়াই দক্ষিণা হিচাপে চাৰি-পাঁচশ টকা কোঁচাইছিল, আৰু কথা মতে সিয়াৰামক এশ টকা দিছিল।

পাছদিনা ধলপুৱাতে বুঢ়াই সিয়াৰামক পুনৰ তেনেকৈ লোকৰ আগত এটা টকা দান হিচাপে দিবলৈ কোৱাত সিয়াৰামে বুঢ়াক ক'লে, "চোৱা, এতিয়া—এই টকা এশ—যদিও তুমিয়েই দিছা, তথাপি—মোৰেই। মই যে টকা এটা তোমাক দিম—তুমি যদি আজি আৰু নোপোৱা বা পায়ো মোক নিদিয়া, এই এটা টকাৰ

লোচকানে মোক খুলি খুলি খাব।"

বুঢ়াই নিৰৱে-নিমাতে সিয়াৰামৰ হাতত টকা এটা গতাই দি গুচি গৈছিল।

এইদৰে, বুঢ়াই দিনৌ কমেও আঢ়ৈ-তিনিশ টকা পাই থাকিল, আৰু চুক্তিমতে সিয়াৰামকো এশটকাকৈ দি থাকিল।

তাৰ পাছত—এমাহমানৰ অন্তত বুঢ়াৰ হাতত যেতিয়া বিছ হেজাৰমান টকা জমা হ'ল, তেতিয়া বুঢ়াই সেইখন গাঁৱতে পকী ঘৰ এটা সাজি লৈ ৰৰ আয়মেৰে চাকৰ-নাকৰ ৰাখি ৰজাৰ দৰে দিনাতিপাত কৰিবলৈ ধৰিলে।

এমাহ মানৰ অন্তত ৰাইজৰ মাজত

কিছু ফুচফাচ আৰম্ভ হ'লঃ এই বুঢ়াই বাৰু আমাক—আমি জাল নেদেখাক বাৰু জাল দেখুৱালেনে? সি বুঢ়া দেখোন এতিয়া জমিদাৰটো হৈ পৰিল। সিনো আমাৰ কিডাল ভাল কৰিলে? আমাৰ পুণ্যৰ ঘৰত দেখোন সদায় থকাৰ দৰে শূন্যয়েই হৈ আছে।

—ক্ৰমে ক্ৰমে ৰাইজৰ সৰহভাগৰ মনতে যেতিয়া এই সন্দেহে উক্ দিলে, তেতিয়া ৰাইজ গাঁওবুঢ়াৰ ওচৰলৈ গ'ল আৰু বুঢ়াৰ লগত চিকটা সিয়াৰামকো সাঙুৰি গোচৰ এটা তৰিলে।

গাঁওবুঢ়াৰ প্ৰশ্নৰ উত্তৰত বুঢ়াই গাঁও বুঢ়াক ক'লে, "ডাঙৰীয়া, ৰাইজে মোৰ কথাত নহয়--নিজে নিজেই মোৰ ওপৰত অলৌকিকত্ব আৰোপ কৰি দান-দক্ষিণা দিয়াৰ বাবে মইনো কেনেকৈ জগৰীয়া হ'লোঁ? যদিও—এটা কথা সঁচা যে—ময়ো ভকত বুঢ়াৰ ভাও জুৰিছিলোঁ। কিন্তু মই কাকো মোৰ কিবা ঐশ্বৰিক শক্তি থকাৰ কথা—এবাৰলৈকো কৈছিলোঁনে কি—ৰাইজেই কওক চোন?" বুঢ়াই বুকু ফিন্দায়েই ৰাইজলৈ আঙুলিয়াই এইখিনি কথা ক'লে।

বুঢ়াৰ এই কথাৰ উত্তৰ দিব নোৱাৰি ৰাইজ তলমূৰ হ'ল। তেতিয়া বুঢ়ায়েই আকৌ ক'লে, "ৰাইজ হ'ল—স্বাৰ্থৰ লুভীয়া। বিনা শ্ৰমেৰে পুণ্য আৰ্জিবলৈ ৰাইজেই কোনোবা-কুনুবিক যদি দেৱতা বুলি ধৰি লয়, সেই জগৰনো কাৰ? কেৱল মানুহকে নহয়, কেতিয়াবা কেতিয়াবা শিল, গছ আদিকো ৰাইজেই দেৱতা পাতে আৰু আত্মস্বাৰ্থত দান-দক্ষিণা দিয়ে। সেই বিশ্বাসৰ কাৰণে শিল বা গছক কোনেও জগৰীয়া কৰিবনে?"

বুঢ়াই সঁচাসঁচিকৈ জাল নেদেখাবোৰক জাল দেখুৱালে। গাঁওবুঢ়াই আৰু ৰাইজেও টুঁ শব্দটিও কৰিব নোৱাৰিলে।



বীৰ হনুমান

ৰামচন্দ্ৰৰ আদেশক্ৰমে লক্ষ্মণ কিষ্কিন্ধ্যালৈ বুলি ৰাওনা হ'ল। লক্ষ্মণৰ বাহুত বিৰাট ধনু ওলমি আছিল। গৈ থাকোঁতে লক্ষ্মণে ভাবি থাকিল সুগ্ৰীৱক তেওঁ কেনেকৈ কি ক'ব, সুগ্ৰীৱে তেওঁৰ কথাৰ কি উত্তৰ দিব, আৰু উত্তৰত কি ক'ব।

বহু দূৰৰপৰা আহি থকা লক্ষ্মণক দেখা পাই বানৰবিলাকে লক্ষ্মণক কোনোবা শত্ৰুৰ চৰ বুলি ভাবি গছ-পাথৰ যিয়ে যি পাৰিলে গোটাই থলে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিবলৈ। বানৰহঁতৰ এই কাৰ্য্য লক্ষ্মণৰ দৃষ্টি এৰাই নগ'ল।

লক্ষ্মণৰ দৃষ্টিত ক্ৰোধৰ ৰক্তিম ৰূপ দেখা পাই কিছুমান বানৰে সুগ্ৰীৱক কথাটো ক'লেগৈ। কিন্তু সুগ্ৰীৱ তেতিয়া পত্নীৰে সৈতে অৱসৰ-বিনোদনত ব্যস্ত আছিল। সেইহে কথাখিনি শুনিও নুশুনা হ'ল।

কিন্তু বানৰহঁতৰ উৎকণ্ঠালৈ চাই অংগদ লক্ষ্মণৰ সমুখলৈ গ'ল।

তেতিয়া লক্ষ্মণে অংগদক ক'লে, "হে বালক! ইয়াত মোৰ উপস্থিতিৰ কথা সুগ্ৰীৱক কোৱাগৈ। মোৰ জ্যেষ্ঠভ্ৰাতা অতিশয় কাতৰ হৈ পৰাত মই তোমালোকৰ ইয়ালৈ আহিছোঁ—এই কথাটোও সুগ্ৰীৱক ক'বা। সুগ্ৰীৱক অতি শীঘ্ৰে মোৰ ওচৰলৈ আহিবলৈ ক'বা।"

অংগদে সুগ্ৰীৱক লক্ষ্মণৰ কথাখিনি বিবৰিলে, আৰু লগতে—লক্ষ্মণ যে অতি

ক্রুদ্ধ অৱস্থাত আছে, তাকো ক'লে।

অংগদৰ কথা শুনি সুগ্ৰীৱে তেওঁৰ মন্ত্রিবর্গক ক'লে, "মই এনে কোনো দোষণীয় কার্য্য কৰা নাই—যাৰ ফলত লক্ষ্মণ বা ৰামচন্দ্ৰ মোৰ ওপৰত বিৰূপ হ'ব পাৰে। নিশ্চয় কোনোবা শত্ৰুৱে ৰাম-লক্ষ্মণক মোৰ বিৰুদ্ধে কিবা সাজি-কথা লগালে। ৰাম-লক্ষ্মণক ভয় কৰিবলগীয়া মোৰ একোৰেই নেদেখোঁ। কিন্তু—তেওঁলোক মোৰ প্ৰকৃত বন্ধুস্থানীয় হোৱা সত্ত্বেও যে কিয় মোৰ প্ৰতি বিতুষ্ট—ভাবি উলিয়াব পৰা নাই। এই কথাতহে মই চিন্তিত হৈছোঁ।"

তেতিয়া বুদ্ধিমন্ত হনুমন্তই অন্যান্য মন্ত্রীবর্গৰ সমক্ষে সুগ্ৰীৱক ক'লে, "মহাৰাজ, ৰামচন্দ্ৰৰ উপকাৰৰ কথা যদি তুমি বিস্মৃত হোৱা নাই, তেনেহ'লে—ৰামচন্দ্ৰৰ প্ৰতি কিঞ্চিত অন্যায় তুমি কৰিলা বুলিয়েই ক'ব লাগিব। এতিয়া শৰৎঋতু। যুদ্ধৰ য়েহে প্ৰকৃষ্ট সময়। লক্ষ্মণো এই কাৰণেই ইয়ালৈ আহিছে বুলি মোৰ অনুমান। পত্নীক হেৰুৱাই শ্ৰীৰামচন্দ্ৰ বলিয়াহেন হৈ পৰিছে—কথাটো নিশ্চয় তুমি নুবুজা নহয়। ৰামচন্দ্ৰই তোমাৰ প্ৰতি কৰণীয়-খিনি যথোচিত সমাপন কৰিলে। কিন্তু তুমি তোমাৰ কৰ্তব্যকৰ্ম কাৰবলৈ অদ্যাপি উদ্যোগ-আয়োজন প্ৰদৰ্শন কৰা নাই। সীতাদেৱীক অন্বেষণ তথা উদ্ধাৰৰ যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিলা— তাৰ বিষয়ে ভবা-গুণা কি কৰিছা তুমিহে ক'ব পাৰিবা। যি কি নহওক—বন্ধুবৰ্গৰ লগ লাগি এতিয়াই লক্ষ্মণৰ কাষ চাপা আৰু তেওঁলৈ সবিনয় নমস্কাৰান্তে নিজ-বক্তব্য পৰিষ্কাৰভাৱে কৈ লক্ষ্মণক শান্ত কৰিবলৈ চেষ্টা কৰাগৈ।"

ইতোমধ্যে অংগদে লক্ষ্মণক লৈ আহিলগৈ। লক্ষ্মণ পোনে পোনেই সুগ্ৰীৱৰ অট্টালিকালৈ আহিল। এই অট্টালিকা আছিল ইন্দ্ৰৰ প্ৰাসাদতুল্য।

Sankar

সুগ্ৰীৱৰ অন্তেষপুৰত তেতিয়া বীণা বাজি আছিল। অন্তেষপুৰত অসংখ্য সুন্দৰী নাৰীৰ গতিবিধি লক্ষ্মণে দেখা পালে। সুগ্ৰীৱে যে এতিয়া ভোগীৰ জীৱন যাপিছে—সেই কথাত লক্ষ্মণৰ মনত কোনো সন্দেহ নাথাকিল।

লক্ষ্মণ আহি পোৱাৰ কথা শুনি সুগ্ৰীৱ কিঞ্চিত ভীত হৈ পৰিল। তেওঁৰ ডিঙিৰ ভিতৰফাল যেনিবা শুকাইহে গ'ল।

সুগ্ৰীৱে তাৰাক ক'লে, "তাৰা, লক্ষ্মণ আচলতে অতি কোমল মনৰ মানৱ। কিন্তু কিয় যে তেওঁ ক্ৰুদ্ধ হৈছে—নাজানো। মইনো তেওঁৰ কি অপকাৰ কৰিলোঁ? যি কি নহওক—তুমি লক্ষ্মণৰ সৈতে কথা পাতাগৈ, তেওঁক শান্ত-প্ৰসন্ন কৰিবলৈ চেষ্টা কৰা।"

তাৰাই লক্ষ্মণক ক'লেগৈ, "হে লক্ষ্মণ! তোমালোকৰ পৰমমিত্ৰ সুগ্ৰীৱৰ প্ৰতি বিৰূপ হোৱাটো তোমালোকৰ দৰে প্ৰকৃত শক্তিমানৰ পক্ষে শোভননে? সুগ্ৰীৱে দেখোন তোমালোকক সেৱিবলৈ সাজু হৈয়েই আছে। শক্তিমানে দুৰ্বলৰ প্ৰতি ক্ৰোধ কৰিব নাপায়। তুমি সুগ্ৰীৱক—যদিহে কিবা অন্যায় হৈছে ক্ষমা কৰি দিয়া।"

তাৰাই লক্ষ্মণক ৰাজ-অন্তেষপুৰৰ ভিতৰলৈ লৈ গ'ল। গৈ গৈ এটি সুৰম্য কক্ষৰ ভিতৰ পোৱালে। তাত স্বৰ্ণ-সিংহাসনত সুগ্ৰীৱ ৰাজদণ্ড হাতত লৈ উপবেশিত হৈ আছিল। কক্ষৰ চতুৰ্দিশে অপ্সৰাহেন সুন্দৰী নাৰীগণ দণ্ডায়মান হৈ আছিল। কিন্তু এই দৃশ্যই লক্ষ্মণৰ ক্ৰোধক আৰু বঢ়াইহে তুলিলে।

লক্ষ্মণক দেখামাত্ৰেই সুগ্ৰীৱ সিংহাসন এৰি দণ্ডায়মান হ'ল আৰু লগে লগে তাত বহি থকা সকলোটিৰেই থিয় দিলে।

কৰযোৰে নমস্কাৰ কৰি তলমূৰ হৈ থিয় হৈ থকা সুগ্ৰীৱক লক্ষ্মণে এইদৰে ক'লে:

"ৰামচন্দ্ৰই তোমাৰ কামখিনি সুকলমে সম্পাদন কৰি দিলে, আৰু—তুমিও

ৰামচন্দ্ৰক পাহৰি থাকিলা। তোমাৰ এবাৰলৈকো মনত নপৰিলনে—ৰামচন্দ্ৰক কি কথা দিছিলা? তুমি কৃতঘ্ন, তুমি শঠ। তুমি কিয় সীতাদেৱীৰ অন্বেষণ-কাৰ্য্য নকৰা হ'লা? তুমি এনেহেন কৃতঘ্ন বুলি জনাহেঁতেন ৰামচন্দ্ৰই তোমাক সহায় কৰিলেহেঁতনে? ৰামচন্দ্ৰই যেনেকৈ বালীক বধিছিল, ময়ো তোমাক তেনেকৈয়েই আপ্যায়িত কৰিম।"

তেতিয়া তাৰাই সুগ্ৰীৱৰ হৈ ক'লে: "হে লক্ষ্মণ! সুগ্ৰীৱ কৃতঘ্নও নহয়, শঠও নহয়। সুগ্ৰীৱে বছৰৰ পাছত বছৰ ধৰি অনাই-বনাই ফুৰিছিল, ছনে-বনে ভ্ৰমি ভ্ৰমি যাতনা ভুঞ্জিছিল, আৰু সেইহে—এতিয়া অলপ সুখ ভোগ কৰা হৈছে। তেওঁৰ এইকণ অপৰাধ—মিত্ৰ হৈও ক্ষমা কৰিব নোৱাৰিনে? ৰামচন্দ্ৰৰ কাৰণে সুগ্ৰীৱে মোক, ৰুমাক বা সকলো পৰিত্যাগ কৰিব পাৰে। সীতাদেৱীক অন্বেষি আনি সুগ্ৰীৱে অৱশ্যেই ৰামচন্দ্ৰৰ হাতত গটাই দিব। এই কাৰ্য্যৰ কাৰণে সুগ্ৰীৱে জগতখনৰ সমস্ত বানৰক অনতিপলমে মাতি পঠাইছে। গতিকে—হে লক্ষ্মণ! তোমাৰ ক্ৰোধ সম্বৰণ কৰাঁ!"

তাৰাৰ কথাত লক্ষ্মণৰ মন কিছু কুমলিল। সুগ্ৰীৱৰ মন-প্ৰাণও কথঞ্চিত শান্ত হ'ল, তেওঁ স্বস্তিৰ উশাহ পেলালে।

সুগ্ৰীৱে লক্ষ্মণক ক'লে, "লক্ষ্মণ, মই অমনোযোগবশতঃ কিছু বিলম্ব কৰিলোঁ, তাৰ কাৰণে মই ক্ষমাপ্ৰাৰ্থী। একেবাৰে ভুল-ভ্ৰান্তি নকৰা জগতত কোনোবা ক'ৰবাত আছেনে?"

লক্ষ্মণে মৃদুকৈ হাঁহি মাৰি ক'লে, "ঠিক আছে, এতিয়া তুমি মোৰ লগত ব'লা ৰামচন্দ্ৰৰ ওচৰলৈ। তোমাৰ সহায়তা আমাক লাগে।"

নিচেই কাষতে দণ্ডায়মান হনুমানক সুগ্ৰীৱে এবম্প্ৰকাৰে ক'লে:

"হনুমন্ত, জগতৰ য'তেই যি বানৰ

আছে, সকলোলৈকে এই আহ্বান পঠোৱা যে—সকলো কিষ্কিন্ধ্যাত অনতিবিলম্বে সমৱেত হওক। এই আদেশ অমান্যকাৰীক মৃত্যুদণ্ডেৰে দণ্ডিত কৰা হ'ব বুলিও ঘোষণা কৰা হওক।"

হনুমানে সুগ্ৰীৱৰ আদেশমতে চৌদিশে এই বাৰ্তা প্ৰেৰণ কৰিলে।

সুগ্ৰীৱে স্বৰ্ণ-নিৰ্মিত পাল্‌কী (দোলা) এখন অনালে আৰু সেই পাল্‌কীত লক্ষ্মণৰে সৈতে সপৰিয়ালে ৰামচন্দ্ৰৰ ওচৰলৈ বুলি ৰাওনা কৰিলে।

ৰামচন্দ্ৰৰ ওচৰলৈ গৈ, পাল্‌কীৰপৰা নামি আহি হাত যোৰ কৰি ৰামচন্দ্ৰক প্ৰণাম কৰিবলৈ ধৰোঁতেই ৰামচন্দ্ৰই সুগ্ৰীৱক বুকুত আঁকোৱালি ল'লে।

এই সময়ছোৱা যে যুদ্ধৰ বাবে প্ৰকৃষ্ট সময়—ৰামচন্দ্ৰই সেই কথা সুগ্ৰীৱক সোঁৱৰাই দিয়াত সুগ্ৰীৱে ক'লে, "হে ৰামচন্দ্ৰ! কৌটিয়ে কৌটিয়ে বীৰ বানৰ সেনানী তোমাক সহায় কৰাৰ বাবে আহিব। ৰাৱণক সপৰিয়ালে বধ কৰি, মাতৃ সীতাদেৱীক আমি তোমাক সমৰ্পিহে বিশ্ৰাম গ্ৰহণ কৰিম।"

তাৰ পাছত সুগ্ৰীৱে ৰামচন্দ্ৰক বুজাই ক'লে বানৰসকলে কেনেকৈ কি কৰিব সেইবোৰ ৰাজকীয় গুপ্তকথা। শুনি ৰামচন্দ্ৰ মুগ্ধ হ'ল।

ঠিক তেতিয়াই আকাশখন ধূলি



সমাচ্ছন্ন হৈ উঠা দেখা গ'ল'। বিস্মিত ৰামচন্দ্ৰই দেখা পালে যে—নদ-নদী, পাহাৰ-পৰ্বত অতিক্ৰমি অসংখ্য —গণিব নোৱৰা মনিব নোৱৰা বানৰে কিষ্কিন্ধ্যালৈ বুলি ঢপলিয়াই গৈছে। কিছুমান বানৰৰ বৰণ কপিলা, কিছুমানৰ বৰণ ৰঙা, কিছুমান ক'লা আৰু বহু সংখ্যক বানৰ আছিল বাৰে বৰণীয়া।

শতবলী নামৰ বানৰশ্ৰেষ্ঠই এইবোৰ বানৰক লৈ আহিছিল। তাৰাৰ পিতৃ সুষেণে লৈ আহিছিল অসংখ্য স্বৰ্ণবৰ্ণ বানৰ। সুগ্ৰীৱ-পত্নী ৰুমাৰ পিতাকেও বুজন সংখ্যক পীতবৰ্ণ বানৰ লগত লৈ আহিছিল। নীলে লৈ আহিছিল নীলবৰ্ণ বানৰ দল। গবয়ই কেইকোটিমান বানৰ লগত লৈ ওলাইছিলহি। এইদৰে—দধিমুখ, মৈন্দ, দ্বিবিদ, গজ আদিয়েও প্ৰচুৰ বানৰসেনা লৈ আহিছিল। জাম্বৱন্তই বানৰসেনাৰ উপৰিও দহকোটি ভল্লুকসেনা লৈ আহিল। গন্ধমাদন আৰু অংগদেও প্ৰচুৰ বানৰ আনিলে। এইদৰে—জগতৰ যতমানে বানৰ আছিল, সুগ্ৰীৱৰ আহ্বানত সকলো কিষ্কিন্ধ্যা আহি পালে। এই সংখ্যাতীত বানৰৰ গতিবিধিৰেহে সমগ্ৰ আকাশখন ধুলিময় যেন হৈ উঠিছিল।

বানৰ-সেনাপতিসকল সুগ্ৰীৱৰ ওচৰলৈ আহিল আৰু ভক্তিভাবেৰে সুগ্ৰীৱক প্ৰণাম কৰিলে। সুগ্ৰীৱে এই বানৰ-সেনাপতি-

বিলাকক ৰামচন্দ্ৰৰ হাতত অৰ্পণ কৰি ক'লে, "হে ৰামচন্দ্ৰ! মিত্ৰ মোৰ! এই বানৰকুল তোমাৰেই সেৱক। তুমি এই বানৰকুলক ইচ্ছামতে ব্যৱহাৰ কৰিলেহে আমি ধন্য মানিম। তোমাৰ আদেশলৈ অযুত-নিযুত বানৰ ৰৈ আছে, ৰৈ থাকিব আৰু নিজ নিজ জীৱনক তুচ্ছ জ্ঞান কৰি তোমাৰ যিকোনো কামলৈ নিৰভয়ে জঁপিয়াই পৰিব। এই বানৰকুল তোমাৰেই, এই বানৰকুলক তুমি একান্ত নিজৰ বুলি ভাবিবা।"

ৰামচন্দ্ৰই আনন্দৰে সৈতে সুগ্ৰীৱক আঁকোৱালি লৈ ক'লে, "সুগ্ৰীৱ, সীতা আৰু জীয়াই আছে বুলি ভাবানে? ৰাৱণ ক'তনো থাকে? এই কথা দুটাৰ উত্তৰ আমাক প্ৰথমেই লাগে। এই প্ৰাথমিক কাৰ্য্যাৰম্ভৰ বাবে—বানৰকুললৈ তুমিয়েই আদেশ প্ৰদান কৰিলে মই অত্যন্ত আনন্দিত বোধ কৰিম।"

তেতিয়া সুগ্ৰীৱে অন্যতম বানৰশ্ৰেষ্ঠ পৰ্বতাকাৰ আৰু বিনতক মতাই অনাই এক লক্ষ বানৰৰে সৈতে পূব দিশলৈ সীতাক অন্বেষি ওলাবলৈ আদেশ দিলে। আন এদলকো ৰাৱণৰ সঠিক বাসস্থান তুৰন্তে বিচাৰি উলিয়াবলৈ আজ্ঞা প্ৰদান কৰি এমাহৰ ভিতৰত অতি অৱশ্যেই উভতি আহিবলৈ টানি আদেশ দিলে।

এইদৰে—দক্ষিণ দিশলৈকো সুগ্ৰীৱে কেইকোটিমান দক্ষ বানৰসেনাক প্ৰেৰণ কৰিলে। দক্ষিণ দিশলৈ ওলোৱা বানৰহঁতৰ মাজত আছিল নীল, হনুমান, জাম্বৱন্ত, সুহোত্ৰ, শৰগুল্ম, গজ, গৱাক্ষ, ঋষভ, মন্দ্য, দ্বিবিদ, বিজয়, গন্ধমাদন, উল্কামুখ, অনংগ, অংগ আদি বীৰ বানৰসকল।

তাৰাৰ পিতৃ সুষেণৰ নেতৃত্বত অন্য এক বানৰ-বাহিনী পশ্চিম দিশলৈ বুলি ওলাল, আৰু শতবলীৰ নেতৃত্বত ওলাল উত্তৰ দিশলৈ অন্য এক বিৰাট বানৰ-বাহিনী।



ডিছেম্বাৰ-ফুল

বহু বহু কালৰ আগৰ কথা। তেতিয়াৰ ৰুশ্ দেশৰ কোনোবা এখন গাঁৱত কোনোবা এজন বিৰাট ধনী মানুহ আছিল। এই ধনীজনৰ একমাত্র ছোৱালী আছিল ছোনিয়া। নিচেই সৰুতে যেতিয়া ছোনিয়াৰ মাক ঢুকাল, তেতিয়া ধনী মানুহজনে পুনৰ বিয়া কৰালে।

মানুহজনৰ দ্বিতীয় পত্নীয়েও ছোৱালী এজনীক জন্ম দিলে। এইজনীৰ ছোৱালীৰ নাম নাতাছা।

কিছু বছৰৰ অন্তত—যেতিয়া নাতাছা কিছু ডাঙৰ-দীঘল হ'ল—তেতিয়া মাক-জীয়েকে মিলি ছোনিয়াৰ ওপৰত নানান অবিচাৰ-অত্যাচাৰ কৰিবলৈ ধৰিলে।

ছোনিয় দেখা-মেলায়ো ধুনীয়া, মাম-বনতো পাৰ্গত, আৰু স্বভাৱ-চৰিত্ৰও অতি কোমল। সতিয়ৈ মাক ভনীয়েকে যিমানেই যি লটঘট নকৰক — তাই ছোনিয়াই হাঁহি মুখেৰেই সকলো সহে। দেউতাকে দেখিও নেদেখা নহয়, অধিক বয়সত বিয়া কৰোৱা পৰিবাৰক একো কোৱাৰ সাহো নহয়, মহৰিৰ তলত মহটি হৈ থাকে।

মাক-জীয়েকে ছোনিয়াক একেবাৰে দুনিয়াৰ বাহিৰ কৰাৰ বাবে চক্রান্ত এটি পাতিলে। এবিধ বিশেষ ফুল জংগলৰপৰা বুটলি আনিবলৈ তাইক এই ডিছেমবাৰ মাহৰ হাড়কঁপোৱা ঠৰঙালগা জাৰত পাহাৰৰ নামনিত থকা অটব্য হাবিলৈ পঠাব, আৰু তাই সেই ফুল বিচাৰোঁতেই বৰফত পোত খাই যাব। আৰু—জীৱনতো তাই সেই অটব্য অৰণ্যৰপৰা উভতি নহা হ'ব।

সতিয়ৈ মাকৰ কথাত ছোনিয়াজনী

নিডৰে নিভয়ে সেই নিটাল-নিজান কদাপিও কোনো নোসোমোৱা অৰণ্যৰ ভিতৰলৈ সোমাই গ'ল। তেতিয়া ডিছেমবাৰ মাহ। চাৰিওফালে—যিমান দূৰলৈ চকু যায়—বৰফেই বৰফ। সেই বৰফেৰে ঢাক খোৱা বননিৰ মাজতে ছোনিয়াই ফুল বিচাৰি ফুৰি থাকোঁতেই এসময়ত নিজ্কো নেদেখা হৈ পৰিল আৰু অৰণ্যৰপৰা ওলাই আহিবলৈকো বাট বিচাৰি নোপোৱা হ'ল।

এইদৰে নিমজ এন্ধাৰৰ মাজেদি গৈ গৈ হঠাৎ তাইৰ চকুত পৰিল ৰঙা ৰঙা কিবা যেন। তাই সেইপেপানে আৰু অলপ আগুৱাই গ'ল। এই বাৰ তাই তাত দেখা পালে একুৰা জুই। দেখা পায়েই তাইৰ হাত-ভৰি অবশ অবশ যেন লাগিল। যি হওক, তাই কেনেবাকৈ সেই জুইকুৰাৰ কাষ চাপিল।

জুইকুৰাৰ চাৰিওফালে বহি আছিল কিছুমান মানুহ। ছোনিয়াই তেওঁলোকক নমস্কাৰ কৰিলে।

তাত এঘাৰজন বয়সিয়াল মানুহ বহি আছিল আৰু এগৰাকী বহি আছিল এখন সিংহাসনত। এওঁৰ হাতত আছিল ৰাজদণ্ড আৰু মস্তকত মুকুট। তেওঁ ছোনিয়াৰ নমস্কাৰ গ্ৰহণ কৰিলে।

সেই এঘাৰজনৰ মাজত এজনে ছোনিয়াক সুধিলে "সোণ, তুমিনো কোন? এই তেজ গোট মৰা জাৰত আৰু মানুহৰ অগম্য অৰণ্যত তুমি কেনেকৈনো আহিলা? ইয়ালৈ কিয় আহিলা?"

ছোনিয়াজনীক বিভ্ৰান্ত-বিহ্বল যেন হোৱা দেখি সেই এঘাৰজনৰ মাজৰ আন এজনে ক'লে, "শুনা, তোমাৰ কোনো ভয় নাই। আমি ভূত-প্ৰেত দানহ-দৈত্য একো নহওঁ। আমি হ'লোঁ মাহাধিপতি ৰজা। বাৰ মাহৰ বাবে বাৰজন ৰজা আমি। আমাৰ নামেই হ'ল জানুৱাৰি, ফেব্ৰুৱাৰি, মাৰ্চ, এপ্ৰিল, ইত্যাদি। বছৰৰ

এক এক মাহত আমি এজনকৈ ৰাজত্ব কৰোঁ। এতিয়া যিজন সিংহাসনত বহি আছে তেওঁ হ'ল ডিছেমবাৰ মহাৰাজ।"

তেতিয়া ছোনিয়াজনীয়ে নিজৰ কথা ক'লে। ক'লে তাইৰ সতিয়ৈ মাক-ভনীয়েকৰপৰা পোৱ দুৰ্ব্যৱহাৰৰ কথা। এই অৰণ্যৰপৰা সেই ফুল বুটলি লৈ যাব নোৱাৰিলে যে তাইৰ ওপৰত বিষম অত্যাচাৰ কৰা হ'ব — সেই কথাটোও বুজাই ক'লে।

ছোনিয়াক ডিছেমবাৰ মহাৰাজে সান্ত্বনা দিলে, আৰু তেওঁ জুন-মহাৰাজক সিংহাসনত বহিবলৈ ক'লে। কিয়নো— জুন মাহতহে কেৱল সেই ফুল ফুলে, আন কালে নুফুলে।

জুন-মহাৰাজ সিংহাসনত বহিল আৰু ৰাজদণ্ড হাতত লৈ কিবাকিবি কৈ থাকিল। লগে লগে পাহাৰ-পৰ্বতৰ চপৰা-চপৰে বৰফবোৰ গালিবলৈ ধৰিলে। চাওঁতে চাওঁতে চাৰিওদিশ পুনৰ ফলে-ফুলে জাতিস্কাৰ হৈ পৰিল। ফুল ফুলিলে, কুলিয়ে মাতিলে, পৃথিৱীখনে সেউজ সেউজ সাজেৰে সাজিলে।

এইবাৰ জুন-মহাৰাজৰপৰা অনুমতি লৈ ছোনিয়াৰ সেই ফুল বুটলি লৈ ঘৰলৈ বুলি খোজ ল'লে। এগৰাকী ৰজাই ছোনিয়াক অৰণ্যৰপৰা ওলোৱাত সহায় কৰিলে। যেতিয়া ছোনিয়া অৰণ্যৰপৰা

ওলাই গ'ল, তেতিয়া জুন-মহাৰাজ সিংহাসনৰপৰা নামি আহিল আৰু ডিছেমবাৰ মহাৰাজ পুনৰ সিংহাসনত বহিলগৈ। আৰু লগে লগে পুনৰ তাত বৰফৰ ৰাজত্বও আৰম্ভ হ'ল।

ছোনিয়াই সেই ফুল বুটলি অনা, আৰু তাই জীয়াই থকা দেখি মাক-জীয়েক অবাক!

ছোনিয়াৰপৰা সকলো কথা জানি লৈ এনে অপূৰ্ব ফুল নিজেই বুটলি আনিবলৈ নাতাছা সেই অৰণ্যলৈ গ'ল। ছোনিয়াৰ দৰে নাতাছায়ো সেই জুই পুৰাই থকা মাহেকীয়া ৰজা সকলৰ কাষ চাপিলে। এওঁলোকৰ মাজত এগৰাকী ৰজাই নাতাছাক যেতিয়া সুধিলে যে তাই ক'ৰপৰা আৰু কিয় আহিছে— নাতাছাই উগ্ৰভাবে উত্তৰ দিলে, "নিজৰ নেওঠনীত তেল দিয়াচোন! মোৰ কথা তোমাক কিয়?" এই কথা কৈ তাই তুখোজমান আগ বঢ়াৰ লগে লগেই ডিছেমবাৰ মহাৰাজে তেওঁৰ মূৰটো সামান্য কাতি কৰিলে আৰু নাতাছা বৰফৰ মাজত পোত খাই পৰিল।

তাৰ পাছত—জীয়েকক বিচাৰি মাকও তালৈ গ'ল আৰু মাহেকীয়া ৰজা এগৰাকীৰ প্ৰশ্নৰ উত্তৰত বমকি উঠিল। লগে লগে মাকেও জীয়েক নাতাছাৰ দশা পোৱা হ'ল।

কেইবাদিনৰ অন্ততো যেতিয়া সতিয়ৈ মাক-জীয়েক উভতি নাহিল। তেতিয়া ছোনিয়াজনী পুনৰ তালৈ গ'ল আৰু মাহেকীয়া মহাৰাজসকলক কাবৌ-কাকুতি কৰি মাক-জীয়েকক পুনৰ্জীৱিত কৰোৱাই ঘৰলৈ ওভোতাই লৈ আহিল।

জুনত ফুলা ফুল ডিছেমবাৰত ফুলাত জুন-মহাৰাজে সেই ফুলক 'ডিছেমবাৰ ফুল' নামেৰে নামাংকিত কৰিছিল, যি নাম ৰুশ দেশত আজিও বিদ্যমান।

ওলোটা বেদ

কনকাম্বৰ প্ৰকৃতাৰ্থক এজন দাৰিদ্ৰ হালোৱা। কিন্তু লখিমপুৰ গাঁৱত কনকাম্বৰ আছিল গাঁওবুঢ়াৰ দৰে গণ্য-মান্য। গাঁৱৰ ৰাইজ যিকোনো কাজিয়া-কন্দল বা বিপদ-বিঘিনিত, আনকি পাৰিবাৰিক কিবা সমস্যাতো এই দৰিদ্ৰ কনকাম্বৰৰ কাষ চাপিছিল দিহা-পৰামৰ্শ তথা সুষ্ঠু মীমাংসা বিচাৰি।

কনকাম্বৰে সকলোটিৰ সকলো সমস্যাৰ কথা ধৈৰ্য্যৰে শুনিছিল আৰু সাধ্যমতে ন্যায়সংগত সমাধান দিছিল। ৰাইজে কনকাম্বৰক অতি বুদ্ধিমান আৰু ন্যায়প্ৰিয় বুলি কৈছিল।

*

বহু বছৰৰ অন্তত কনকাম্বৰ এদিন বুঢ়া হ'ল। এতিয়া গাঁৱৰ ৰাইজৰ সমস্যাৰ সমাধান তথা ন্যায়-বিচাৰৰ দায়িত্ব পৰিল কনকাম্বৰৰ একমাত্ৰ পুতেক দিগম্বৰৰ ওপৰত।

দিগম্বৰ অৱশ্যে বিধিসম্মত গাঁওবুঢ়া। কনকাম্বৰৰ আছিল কেৱল সৎ লোক হিচাপে নাম-ডাক, আন একো ধন-সম্পদ বিষয় বৈভৱ নাছিল প্ৰায়।

কনকাম্বৰৰ যি এহালিচামান মাটি আছিল, পুতেক দিগম্বৰে সেই মাটি-খিনিতে খেতি বাতি কৰি কথমপিহে চলিছিল।

*

এদিন কিবা এটা কথাত ন্যায়বিচাৰৰ বাবে ৰামদেৱ নামৰ এজন বুঢ়া আৰু বুঢ়াৰ পুতেক কিষণ গাঁওবুঢ়া দিগম্বৰৰ কাষ চাপিল।

চন্দন কলিতা

ৰামদেৱে দিগম্বৰক ক'লে, "বোপা দিগম্বৰ, মই দেখিছাই—বুঢ়া হ'লোঁ। এতিয়া আৰু কাম-বন কৰাৰ শক্তি সামৰ্থ্য মোৰ নাই। ইপিনে — কিষণৰ কথা হ'ল—সি হেনো মোক খুৱাব নোৱাৰিব। সি মোৰ একমাত্ৰ ল'ৰা। সি যদি মোক খাবলৈ-পিন্ধিবলৈ নিদিয়ে— মইনো কি খাম কি পিন্ধিম? মইনো কি কৰিম?"

কিষণে ক'লে, "গাঁওবুঢ়া ডাঙৰীয়া, কথাটো হয়, মোৰেই দেউতাক মই নুখুৱালে কোনে খুৱাব। কিন্তু — মই যিকণ আৰ্জোঁ, তাৰে মোৰ আৰু মোৰ পো-পৰিবাৰৰো নচলে। মইবা কি কৰিম?"

শুনি দিগম্বৰে ৰামদেৱ বুঢ়াক ক'লে, "ৰামদেৱ খুড়া, কিষণৰ কথাত যুক্তি নথকা নহয়। তুমি আন ক'ৰবাত আন কিবা চেষ্টা কৰাটোৱেই ভাল।" দিগম্বৰে কিষণৰ হৈ মাত মাতিলে।

কিছুদিনৰ পাছত কনকাম্বৰৰ মৃত্যু হ'ল। দিগম্বৰকো বয়সে ছুলে। দিগম্বৰৰো ল'ৰা এটি আছে। দিগম্বৰে তাৰ ল'ৰা পীতাম্বৰক ভালকৈ পালন-পোষণ কৰি ডাঙৰ-দীঘল কৰিলে।

বহু বছৰৰ অন্তত এদিন সুমন্ত নামৰ এজন বুঢ়া মানুহ পুতেক বিশালক লগত লৈ দিগম্বৰৰ ওচৰলৈ আহিল।

সুমন্ত বুঢ়াই দিগম্বৰক ক'লে, "বোপা,



এই বিশাল হ'ল মোৰ একমাত্ৰ পুত্ৰ। তোমালোকে জানাই কথাটো। এতিয়া —এই বুঢ়া বয়সত সি মোক ভৰণ-পোষণ কৰিব নোৱাৰিব বুলি কৈ দিলে। ভিক্ষা কৰাৰ বাহিৰে মইনো আৰু কি কৰিব পাৰোঁ তুমিয়েই কোৱাচোন ?"

দিগম্বৰে বিশাললৈ স্থিৰ দৃষ্টিৰে চাই ক'লে, "বিশাল, কথাতে বোলে—পিতা স্বৰ্গ, পিতা ধৰ্ম। যিজনে তোমাক জীয়াই ৰাখিলে, মৰমৰে ডাঙৰ-দীঘল কৰিলে, সেইজনৰ প্ৰতি তোমাৰ এই ব্যৱহাৰ অন্যায়-অনুচিত। পুত্ৰই পিতৃৰ দায়িত্ব ল'ব বুঢ়া বয়সত—এয়ে জগতৰ অনাদিকালৰ-পৰা চলি অহা ৰীতি।"

এইখন গাঁৱতে ভূষণ আৰু ছোহন নামৰ দুজন বুঢ়া মানুহ আছিল। এওঁলোক কনকাম্বৰৰ আত্মীয় আছিল। এদিন দুয়ো পুখুৰীৰ পাৰত বহি কথা পাতি থাকোঁতে ভূষণে ছোহনক ক'লে, "ছোহন, আজি-কালি দিগম্বৰৰ ন্যায়বিচাৰৰ যি ৰেহ-ৰূপ দেখিছোঁ—মই কিন্তু তাৰ গতি-গোত্ৰ ভাল দেখা নাই।"

"কিয় কোৱাচোন ?" ছোহন বুঢ়াই ভূষণ বুঢ়াক সুধিলে।

"ৰামদেৱ আৰু তাৰ পুতেক কিষণৰ ক্ষেত্ৰত দিগম্বৰে যি ৰায় দিছিল, সুমন্ত আৰু বিশালৰ ক্ষেত্ৰত একেবাৰে ওলোটা ৰায়হে দিলে। কিন্তু সমস্যা—ৰামদেৱ



আৰু তাৰ পুতেক বিশালৰো সেই একেই। সি দিগম্বৰক দেখোন এক চকুৰে তেল বেচা এক চকুৰে পানী বেচা যেন লাগিছে মোৰ। এক কথা দুই কাম, গাঁওবুঢ়া তাৰেইনে নাম?"

খন্তেকমান ভাবি লৈ ছোহন বুঢ়াই ভূষণ বুঢ়াক ক'লে, "ভূষণ, ন্যায়ৰ বিচাৰ কৰোঁতা মানুহজনো যে মানুহেই এজন— সেই কথাটো পাহৰি গ'লে নচলিব। ন্যায়ৰ বিচাৰ কৰোঁতাৰ কোনো বিচাৰত যদি নিজৰ জীৱনৰো ছাঁ পৰে, আচৰিত হ'ব নালাগে।"

"তোমাৰ কথাৰ অৰ্থ—অলপ ফট-ফটীয়াকৈ বুজাই দিয়া।" ভূষণ বুঢ়াই ভেবা লাগি ক'লে।

"দিগম্বৰে যেতিয়া ৰামদেৱৰ ক্ষেত্ৰত কিষণৰ হৈ ৰায় দিছিল দিগম্বৰ আছিল কিষণৰ ঠাইত। অৰ্থাৎ—দিগম্বৰ আছিল অথৰ্ব বৃদ্ধ কনকাম্বৰৰ পুতেক। অথৰ্ব বৃদ্ধ এজনক পালন-পোষণ কৰাৰ কষ্ট নিজেই পাইছিল, অতিষ্ঠ হৈয়েই আছিল। সেইহে—তেতিয়া দিগম্বৰে কিষণৰ হৈ মাত মাতিছিল।" ছোহনে ক'লে।

"বুজিলোঁ বাৰু। পিছে—সুমন্তৰ কথাত ওলোটা গালে কিয়?" ভূষণে সুধিলে।

"তাৰো কাৰণ আছে। কাৰণ বিনে কাৰ্য্য নহয়। সুমন্তৰ সমস্যাৰ বিচাৰ কৰাৰ সময়ত পিতৃ নথকা দিগম্বৰ নিজেই পিতৃ হৈছিল আৰু চকুৰ আগত নিজৰ বুঢ়া বয়সৰ ভৱিষ্যৎ নিজেই দেখা পাইছিল। গতিকে—সুমন্তৰ হৈ মাত মাতিছিল।" ছোহনে সে সেকৈ হাঁহি হাঁহি ক'লে।

তেতিয়াহে বৃদ্ধ ছোহনে বুজি পালে যে মানুহ নিজৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতহে আনৰ বাবে নীতি-বচন আওৰায় আৰু ওলোটা বেদ গায়।

মামানাঙ্ক মতিভ্ৰমঃ

নওলকিশোৰৰ খেতি-পথাৰ হাবিৰ গাতে লগা। নওলে বৰ পৰিশ্ৰম কৰি শাক-পাচলি ওপজায়; পিছে—ৰাতিৰ পৰতে খেতিৰ শাক-পাচলি কোনোবাই চুৰি কৰি লৈ যায়। ভাবি ভাবি নওলে পাচলি-চোৰ ধৰিবলৈ উপায় এটা ভাবি উলিয়ালে।

নওলে ছিটিকা এটা সাজি শাক-পাচলিৰ মাজতে থৈ দিলে, আৰু ৰাতিৰ পৰতে পাচলি-চোৰ ছিটিকাত পৰিল।

এই পাচলিচোৰ আছিল এটা শহাপহু। শহাটোৱে বহুত চেষ্টা কৰিও একোপধ্যে ছিটিকাৰপৰা ওলাই আহিব নোৱৰা হ'ল।

ৰাতি পুৱাল, নওল ওলাল। খেতি-পথাৰলৈ আহি নওলৰ চক্ষু চড়কগাছ! আঁ! তইহেনে চোৰ! ৰবা, ৰঃ, তেঁতেলীৰ ঠাৰি লৈ আহোঁগৈ, ভালকৈ কোবাই তোক মজা এপালি দিম।"

শহাই ভাবি থাকিল: আজিনো কাৰ মুখ চাই ওলাইছিলোঁ যে ফান্দত পৰিবলগা হ'ল। ওলাওঁনো কেনেকৈ?

ঠিক তেনে সময়তে এটা শিয়াল সেই পিনে আহি থকা দেখি শহাই মিচিক-মাচাককৈ হাঁহিবলৈ ধৰিলে।

"হাৰে জমাই! তুমি—? ইয়াত কি কৰিছা? তোমাৰ ডিঙিত—ৰছী বান্ধিলে কোনে? আৰু—ইমানকৈ হাঁহিছাইবা কিয়?" শিয়ালে সুধিলে।

তেতিয়া শাহাই ঢেকঢেককৈ হাঁহি ক'লে, হে হেঁ মামা, কথা হ'ল—মই মোৰ পোনাটোৰ কাৰণে হাবিৰপৰা দৰব বিচাৰি ওলাইছিলোঁ। হঠাৎ—গাই-পেহীৰ লগত বাটত দেখাদেখি। পেহীৰ ছোৱালীৰ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

বো:লে বিয়া, আৰু মই বোলে নগ'লেই নহৈছে। সেইহে—মই যাতে পলাই নাযাওঁ, তাৰ বাবে মোক পেহীয়ে গলে-খুটাই বান্ধি থৈ গ'ল। ইপিনে—মোৰ পোনাটোৰ ক'বলৈ গ'লে যোৰা-থোৰা অৱস্থা। এটা কাম কৰানা মামা। তেতিয়া মোৰো কাম হ'ব, তোমাৰো।"

"কি নো?" শিয়ালে সুধিলে।

"কথা হ'ল—মোৰ এই ৰছীৰ বান্ধোন খুলি দি তুমি যদি মোৰ সলনি ইয়াত থাকা—তেনেহ'লে—ময়ো দৰব লৈ যাব পাৰোঁ, তুমিও পেহীৰ ছোৱালীৰ বিয়া খাবলৈ পাবা। অলপ পাছতেই কইনা-ঘৰীয়াই তোমাক লৈ যাবহি।" শহাই শাক খোৱা পাত খোৱা কথাবোৰ শিয়ালক ক'লে।

শিয়ালে শহাৰ কথা সঁচা বুলি ভাবি শহাক এৰি দি নিজে বহি থাকিল বান্ধ খাই, বিয়া খাবৰ বাট চাই।

তিমানতে নওল তেঁতেলীৰ ঠাৰি লৈ আহিল। আহি শহাৰ সলনি শিয়ালক দেখি তাৰ খং দুগুণে চৰিল আৰু শিয়ালক সি উৰাই-ঘূৰাই কোবালে। তাৰ পাছত নওল গ'ল ঘৰলৈ, আধা মৰা শিয়াল-মোমাইক এৰি থৈ, তাৰ কুকুৰটোক লৈ আহিবলৈ।

শহা ইমান সময়-ধৰি জোপোহাৰ ভিতৰত লুকাই আছিল। এইবাৰ জোপো-হাৰপৰা ওলাই আহি শিয়াল-মোমাইক ক'লে, "কি কথা, মামা! কথাত বোলে—মুনিনাঞ্চ মতিভ্ৰমঃ, এয়া দেখিছোঁ—মামানাঞ্চ তমিভমঃ! ইমান চালাক তুমি—তোমাৰ—বিয়া—তোমাৰ এনে অৱস্থা কোনে কৰিলে?"

বহু দূৰৰপৰা কুকুৰৰ ভুকনি শুনি শহাই মুহূৰ্ততে তাৰ বেজিৰ দৰে জোঙা দাঁতেৰে শিয়াল-মোমাইৰ ডিঙিৰ ৰছী কাটি দিলে আৰু দুয়ো ফেটীৰ মূৰ ছিঙা লৰ ধৰিলে।

তিমিৰ তমতমি

সাগৰৰ তিমিয়ে কেতিয়াও পানী ঘোদালি নাথাকে—কেৱল ভাঁপহে উলিয়ায়। বহু সময় ধৰি সাঁতোৰাৰ অন্তত তিমিৰ হাওঁ-ফাওঁত তপত বায়ু জমা হয় আৰু ই যেতিয়া সেই ভাঁপৰূপী তপত বায়ু ইয়াৰ একবিন্ধীয়া নাকেদি উলিয়ায়, তেতিয়াই সাগৰৰ পানী ওফন্দি উঠে!

বাওৰাৰৰ বাওচালি

নিউগিনি আৰু অষ্ট্ৰেলিয়াৰ বাওৰাৰ চৰায়ে বিৰাট আকাৰৰ ধনুভিৰীয়া বাহ সাজে আৰু সেই বাহ ৰংবিৰঙী ঘাঁহ-বন আৰু থেৰ-কুটাৰে সহচৰী এজনীক আকৰ্ষণ কৰি আনিবলৈ সজায়!

ভয়ংকৰতম কীট

যুদ্ধ আৰু দুৰ্ঘটনাত মৃত্যুৰ সংখ্যাক বাদ দিলে মানুহৰ মৃত্যুৰ শতকৰা ৫০ ভাগৰ হেতু হ'ল ম্যালেৰিয়া বীজাণু কঢ়িয়াই ফুৰা মহ। প্ৰতি বছৰ মোটৰ ওপৰত দহলাখ মানুহ আফ্ৰিকা আৰু এছিয়া মহাদেশত মহৰ কামোৰতে মৰে। কেৱল আজিয়েই নহয়, প্ৰস্তৰ যুগতো অৱস্থা একেই আছিল!

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮৭·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

ফ'টো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯১ চনৰ এপ্ৰিল সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯১ চনৰ ফেব্ৰুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯০ চনৰ ডিচেম্বৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ক্লান্ত পথত — দ্বিতীয় ফটো : লাজুকী ৰঙত

পুৰস্কাৰ প্ৰাপক : বোপদেৱ বৰা, ন-মাটি গাঁও, হাতিচোং, নগাঁও।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Ta dum, They is here
Oops! Kiddy grammar sure is catchy—Ya, they are here.
Bow Wow 'n' Floppy the doggies (wuff! wuff!), Jumbo the elephant, Wobbit the rabbit, Teddy 'n' Sporty your bear buddies, the mouse of your house—Squeeks, not to mention Flipper the dolphin 'n' Bunny with the Twins. They are all part of the CUDDLES family. And hang on—there's more to come.
The one thing we didn't do while making our toys was fool around. We left that entirely for your kid to do. Come, check us out.
What stuffing to use, what shape to give, which colour to use...... We've spent long months in designing and crafting the toys which can take on the toughest torture test ever—childhandling. To ensure that they're safe.
CUDDLES
CHANDAMAMA TOYTRONIX
In collaboration with Sammo Corporation, S.Korea
Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras-600 026.

Vital tips for colouring
Luxor Mickey Mouse Colours
Enter the fairyland of colours.
Luxor Bambino colour set
An adventure with colours.
Luxor Bambino
COLOUR SET
Luxor Colour Pens
Sing a rainbow, paint a song.
COLOUR PENS
Luxor Disney fun set
For fun, frolic and fantasy.
DISNEY FUNSET
Disney INOXCOLOR
PLASTIC CRAYONS
Sign Pen
DONALD DUCK
Magic Colour
Luxor Sign Pen
To make your little dreams come true.
Donald Duck Magic Colours
For the magician in you.
Disney Inoxcolor Plastic Crayons
Colourful times ahead.
© THE WALT DISNEY CO.
CLARION D 254 R
Bestsellers
PENNED BY LUXOR
Luxor®
LUXOR PEN CO., 229, Okhla Industrial Estate, Phase III, New Delhi-110020, India.
Tel: 633348, 6833372, 6835607. Tlx: 031-75069 SIGN IN. Fax: 011 6847602. Tel: Delhi (Sales): 522956, Bombay: 6730251, Calcutta: 250407

CHANDAMAMA (Assamese) February 1991 Regd. No. TN/MS (S)/87